# Assam
# Legislative Assembly
# Debates

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## AUGUST SESSION

VOLUME III

**No. 3**

**The 6 th August, 1986**

सत्यमेव जयते

---

PRINTED AT PURBASAL ART PRESS, NALBARI

# Assam Legislative Assembly Debates

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## AUGUST SESSION

VOLUME III

**No. 3**

**The 6 th August, 1986**

सत्यमेव जयते

PRINTED AT PURBASAL ART PRESS, NALBARI

# PROCEEDINGS OF THE AUGUST SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

The House met in the Assembly Chamber, Dispur, Guwahati on Wednesday, the 6th August, 1986 with the Hon'ble Speaker in the Chair. 18 ( Eighteen ) Ministers, 13 (Thirteen) Ministers of State, and 89 (Eighty-nine) Members present.

—o—

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY:

# (August Session)

## Volume—III

## No. 3

Dated, the 6th August 1986

## CONTENTS


| | | Page |
|---|---|---|
| 1. | Questions ... ... | 1 |
| 2. | Privilege Motion ... ... | 38 |
| 3. | Report of the Business Advisory Committee | 52 |
| 4. | Calling Attention Notice ... ... | 53 |
| 5. | Adjournment ... ... | 56 |


—o—

## STARRED

# QUESTIONS AND ANSWERS

( To which oral replies were given )

### বি : নাহৰকটিয়াত শাখা কোষাগাৰ

শ্ৰীকুশুম্বৰ টাইৰাই (গগৈ) য়ে সুধিছে :

*৪১। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) নাহৰকটীয়া চহৰে চৰকাৰৰ বাজ ভৰাললৈ কৰ আগবঢ়োৱাৰ ক্ষেত্ৰত তৃতীয় স্থান অধিকাৰ কৰা স্বত্বেও কিয় উক্ত চহৰত আজিও এটি শাখা কোষাগাৰ নাই মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(খ) উক্ত চহৰত অনতিপলমে এটি শাখা কোষাগাৰ খোলাৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

৪১। (ক) আৰু (খ)—প্ৰশাসনীয় দক্ষতাৰ স্বাৰ্থত চৰকাৰে কেইবাটাও নতুন শাখা কোষাগাৰ স্থাপনৰ প্ৰশ্নটো বিবেচনা কৰি আছে। ইতিমধ্যে নতুনকৈ স্থাপন কৰা আটাইকেইটা মহকুমা সদৰতে শাখা কোষাগাৰ স্থাপন কৰা হোৱা নাই।

পৰ্য্যায় ক্ৰমে সেয়ে, তেনে সদৰ কাৰ্য্যালয়ত অগ্ৰাধিকাৰ দি ইতিমধ্যে ৰিজাৰ্ভ বেংক, ষ্টেট বেংকৰ লগত যোগাযোগ কৰা হৈছে।

ইয়াৰ উপৰিও আন কেইখনমান ঠাইত শাখা কোষাগাৰ খোলাৰ প্ৰশ্নটো চৰকাৰে বিবেচনা কৰিব। নাহৰকটীয়া সম্বন্ধেও তেতিয়া বিবেচনা কৰা হব।

শ্ৰীকুসুম্বৰ টাইৰাই :— মাননীয় অধ্যক্ষ মহোদয়, আজি ২ মাহ মানৰ আগতেই নাহৰকটীয়াত কোষাগাৰ স্থাপন কৰিবৰ কাৰণে এটা প্ৰস্তাব পাচ কৰা হৈছিল। জিলা কৰ্ত্তৃপক্ষ এই সম্পৰ্কত কিমানদূৰ আগবাঢ়িছে জনাবনে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) :— মই উত্তৰত স্পষ্টভাবে কৈছোয়েই যে যিবিলাক মহকুমা সদৰ আছে তাত অগ্ৰাধিকাৰ দিয়া হব। তাৰ লগে লগে যিবিলাকৰ পৰা দাবী আহিছে সেই বিলাকো বিবেচনা কৰা হব।

Shri Shanti Ranjan Das Gupta :— Sir, I shall be pleased to know whether along with the Sub-Treasury there will be a strong room also with each Sub-Treasury.

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত— এইটো বেলেগ প্ৰশ্ন।

শ্ৰীঅমৃতলাল বসুমতাৰী :— যোৱাবাৰ বাজেট অধিবেশনত মোৰ এটা প্ৰশ্নৰ উত্তৰত কৈছিল যে গোসাইগাৱঁত ষ্টেট বেংকৰ পৰা ক্লিয়াৰেন্স পালেই তাত চাব ট্ৰেজাৰি স্থাপন কৰা হব। এই ক্লিয়াৰেন্স এতিয়ালৈকে পাইছে নে নাই?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত :— এই সম্পৰ্কত তেনেকুৱা দাবী কেইবাখনো ঠাইৰ পৰা আহিছে আৰু যোগাযোগ কৰি থকা হৈছে। ক্লিয়াৰেন্স আমি এতিয়ালৈকে পোৱা নাই।

শ্ৰীজয়নাথ শৰ্মা :— মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে মহকুমা সদৰ আৰু জিলাৰ সদৰত অগ্ৰাধিকাৰ ভিত্তিত ট্ৰেজাৰি স্থাপন কৰা হব। যিবিলাকে চাকৰিৰ কাৰণে ট্ৰেজাৰি চালান দিব লাগে সেই সকলে বহুদূৰ জিলা সদৰ বা মহকুমা সদৰলৈ আহিবলগীয়া হয়। সেই কাৰণে প্ৰতিটো ব্লকতে ট্ৰেজাৰি চালান লোৱাৰ ব্যৱস্থা কৰিব নোৱাৰিনে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত :— সেইটো কৰিলে ট্ৰেজাৰিটোকে দিয়া হব দেখোন।

Shri Binai Khungur Basumatari— Sir, the State Bank of India has already given clearance for opening a Sub-Treasury at Udalguri. Why Government has not yet started this Treasury there ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত :— এইটো বেলেগে প্ৰশ্ন কৰিলে ভাল হয়।

শ্ৰীদিলীপ কুমাৰ শইকীয়া :— ধেমাজি কোষাগাৰত বহুতবিলাক ট্ৰেজাৰি চালান নষ্ট হৈছে। এই বিষয়ে চৰকাৰে জানেনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত :— এইটো বেলেগ প্ৰশ্ন কৰিলে ভাল হয়।

*Re :* **Appointment of Public Prosecutors etc,**

Shri AMRITLAL BASUMATARY asked :

* 42. Will the Minister, Judicial be pleased to state—

(a) Whether it is a fact that all most all the Public Prosecutors, Additional Public Prosecutors and Assistant Public Prosecutors in Assam appointed by the previous Government have been released and Junior and inexperienced Advocates belonging to Ruling Party have been appointed in their places ?

(b) The basis of the appointment of Public Prosecutors, Additional Public Prosecutors and Assistant Public Prosecutors ?

(c) For how many years they are appointed ?

(d) Whether all these procedures have been followed in appointing the new Public Prosecutor, Addl. Public Prosecutor and Assistant Public Prosecutor ?

Shri SURENDRA NATH MEDHI (Minister, Law, etc) replies :

42. (a)—There are some cases where the present State Government have relieved some Public Prosecutors/Additional Public Prosecutors/Assistant Public Prosecutors in the interest of efficient conduct of Government cases. It is not a fact that Junior inexperienced Advocates belonging to Ruling Party have been appointed in their places.

(b)—Appointment of Public Prosecutor and Additional Public Prosecutor is made under sub-section (3) of Section 24 of the Cr. P.C. 1973, as amended. As per provision under section 24 of the Cr, P.C., no person shall be appointed by the State Government as the Public Prosecutor or the Additional Public Prosecutor unless his name appears in the panel of names prepared by the District Magistrate in consultation with the Sessions Judge and unless he has been in practice as an Advocate for not less than seven years. Assistant Public Prosecutor is appointed under sub-section (1) of Section 25 of the Cr. P.C. 1973. Nothing has been provided in Section 25 about the requirement of panel and the practice as an Advocate in the matter of appointment of Assistant Public Prosecutor. Rule 22 of Assam Law Department Manual, as amended, however provides that in the matter of appointment of Assistant Public Prosecutor, Government may require a Deputy Commissioner or a Sub-Divisional Officer to prepare a panel of names of Advocates in consultation with the Chief Judicial Magistrate or the Sub-Divisional Judicial Magistrate as the case may be.

(c)—Under Rule 3 of the Assam Law Department Manual' as amended in 1978, the term of appointment of a Public Prosecutor or Additional Public Prosecutor and an Assistant Public Prosecutor shall, initially be one year and if there be no complaint against him, the next extension shall normally be for two years. After expiry of term of 3 years, fresh panels shall be called for as here-in-before provided.

(d)—Yes:

শ্ৰীঅমৃতলাল বসুমতাৰী :— কোকোৰাঝাৰ কৰ্টত এচিচটাণ্ট পাবলিক প্ৰচিকিউটৰ কৰি এজন জুনিয়ৰ এডভোকেটক নিযুক্তি দিয়া হৈছে। মন্ত্ৰী মহোদয়ে যি উত্তৰ দিছে তাত চাৰভিচ পেৰিয়দৰ কথা নাই। আৰু সেইমতে হলে এজন জুনিয়ৰ এডভোকেটকো এচিচটাণ্ট পাবলিক প্ৰচিকিউটৰ কৰি দিব পাৰে। কিন্তু আমি যিটো আপত্তি দিছো এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা কৰিবনে? যি কেইজনক নিযুক্তি দিয়া হৈছে তেওঁলোকৰ লিষ্ট সদনত দিবনে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি, ( আইন মন্ত্ৰী )— এডিচিয়নেল পাবলিক প্ৰচিকিউটৰ হবলৈ যোগ্যতা ৭ বছৰ লাগে। যিজনক নিযুক্তি দিয়া হৈছে তেখেতে যোগ্যতা অৰ্জন কৰিছে, তেওঁ ৭ বছৰ কাম কৰিছে। এচিচটাণ্ট পাবলিক প্ৰচিকিউটৰ হবলৈ কোনো নিয়ম নাই। ৭ বছৰ নহব পাৰে, ২ | ৩ বছৰ হলেও হয়, তথাপি ৩ বছৰৰ কমত কোনো এজনকে এচিচটাণ্ট পাবলিক প্ৰচিকিউটৰ কৰা হোৱা নাই।

Shri Sivius Condpan : Sir, may I know from the Hon'ble Minister whether while appointing the Public Prosecutor and Additional Public Prosecutor the Government has obtained the clearance or recommendation from the District judges and District Magistrates concerned and if so, will the Minister be pleased to lay the reports of the District Magistrates and District Judges, before

the House, in connection with the appointment of the Public Prosecutor at Sibsagar ?

Shri Surendra Nath Medhi ( Minister, Law, etc ) : Sir, in appointing the Public Prosecutor and Additional Pubic Prosecutor we comply with the requirement of law and we have appointed from the list prepared by the Deputy Commissioner in consultation with the Sessions Judge, From that list we have appointed and if the Hon'ble Member wants to see the records he may meet me I will show him.

Shri Altaf Hussain Mazumdar : Sir, I want to bring it to the notice of the Hon'ble Speaker that whenever any question is put on the floor of the Honse and every Hon'ble Member has a right to know the replies of the Minister to that question. And it is not the procedure that the Minister should ask any member to go to the Minister's Chamber and obtain the replies of the Minister. If the Hon'ble Minister has got any information which he wants to give later, let him circulate those information on the floor of the House,

Shri Silvius Condpan : Sir, I have asked for certain information from the Hon'ble Law Minister in the House and how can I go to his chamber to get this information; I wanted this information in the public interest and this should be made available here but the Hon'ble Minister says that I should meet him in this chamber. Sir, this is not the procedure,

Shri Altaf Hussain Mazumdar :—On a point of order, Sir. When the question has been put in the House it becomes the property of the House and every Hon'ble Member has got the right to know about it. And the Minister should submit his replies on the floor of the House—why somebody should go to the Minister in his office to obtain replies.

Shri Golok Rajbanshi :—Sir, the Hon'ble Member has raised a point of order. Where is the ruling from the Hon'ble Speaker ?

শ্ৰীজয়নাথ শৰ্মা :—অধ্যক্ষ মহোদয়, মোৰ এটা পৰিপূৰক প্ৰশ্ন আছে। যিবিলাক ৰুলৰ আওঁতাত চৰকাৰী উকিল নিয়োগ কৰা হয় সেই আইনমতে কংগ্ৰেছ পাৰ্টিত থকা সকল চৰকাৰী উকিল হব নোৱাৰে নেকি ? দ্বিতীয়তে ইয়াৰ আগতে চৰকাৰী আইন ভঙ্গ কৰি চৰকাৰী উকিল নিয়োগ কৰিছিল নেকি ? (সদনত গণ্ডগোল) অধ্যক্ষ মহোদয়, এই বিষয়ত কিবা ব্যৱস্থা লব নেকি ?

(সদনত গণ্ডগোল) ... ..

প্ৰশ্নৰ উত্তৰ নাই।

Shri Altaf Hussain Mazumdar : Mr. Speaker, Sir, the point of order should be disposed first.

মাননীয় অধ্যক্ষ :—সদস্যসকলে সদনৰ শালীনতা ৰক্ষা কৰিব বুলি মই আশা কৰিলো। মন্ত্ৰী মহোদয়ে কৈছে আইনমতে কৰা হৈছে। তেখেতে যি ধৰণে বিচাৰিছে সেইটো মন্ত্ৰী মহোদয়ে কব। মোৰ কবলগীয়া এইখিনিয়েই যিখিনি জনাবলগীয়া হয় সেইখিনি জনোৱা হব।

*Re* : **Gossaigaon Subdivision**

Shri MITHIAS TUDU asked :

* 43. Will the Chief Minister, Assam be pleased to state—

(a) Whether works of the Gossaigoan Subdivision complex will start ?

(b) If so, when ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

৪৩। (ক) আৰু (খ) মহকুমাধিপতিৰ কাৰ্য্যালয় আৰু আৱৰ্ত্ত ভবনৰ বাবে গড়কাপ্তানী বিভাগৰ পৰা ঘৰৰ নক্সা আৰু প্ৰাক্কলন বিচৰা হৈছে। উপৰোক্ত নক্সা আৰু প্ৰাক্কলন পোৱাৰ পিছত চৰকাৰৰ বিভাগীয় অনুমোদন জনোৱা হব আৰু কাম আৰম্ভ কৰা হব। ইতিমধ্যে মহকুমাধিপতিৰ বাসভৱন নিৰ্মানৰ বাবে চৰকাৰৰ বিভাগীয় অনুমোদন দিয়া হৈছে।

শ্ৰীমিথিয়াচ টুডু :— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, কিমান মাটি আবণ্টন কৰা হৈছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, ইতিমধ্যে ব্যৱস্থা লবলৈ কোৱা হৈছে আৰু গড়কাপ্তনা বিভাগৰ পৰা নক্সা পোৱাৰ পাচতেই কৰা হব।

শ্ৰীমিথিয়াচ টুডু :— অধ্যক্ষ মহোদয়, মাটি কিমান আবণ্টন কৰা হৈছে, সেইটো মই জানিব বিচাৰিছো।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী )— অধ্যক্ষ মহোদয়, সেইটো ৰাজহ বিভাগৰ কথা। তেওঁলোকক কৰিবলৈ কোৱা হৈছে।

শ্ৰীঅমৃতলাল বসুমতাৰী :— মাননীয় অধ্যক্ষ মহোদয়, আজি মই মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্টকৈ জানিব বিচাৰিছো যে, এই চাবডিভিজনৰ কাম কেতিয়াকৈ আৰম্ভ হব আৰু কেতিয়া শেষ হব ? কাৰণ তাত যিবিলাক অফিচ আদি আছে সেইবিলাক চলি থকাত অতি অসুবিধা হৈছে। সেই কাৰণেই আজি স্পষ্টকৈ জানিব বিচাৰিছো যে কামবিলাক সম্পূৰ্ণ কেতিয়া হব ? দ্বিতীয় প্ৰশ্নটো হৈছে

আমাৰ চাব ডিভিজনৰ লগত দতমা ব্লকও চামিল হব বিচাৰিছে। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে কি ধৰণে ভাবে বা চিন্তা প্ৰকাশ কৰে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী )— অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰত ইতিমধ্যে কোৱা হৈছে যে গড়কাপ্তানী বিভাগৰ পৰা নক্সা পালেই কাম আৰম্ভ কৰিব পৰা হব ।

বিঃ ভলুকামুৰিৰ গভীৰ নলী-নাদ

শ্ৰীসুৰেন স্বৰ্গীয়াৰীয়ে সুধিছে :

* ৪৪। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বৰপেটা জিলাৰ জালাহ ব্লক এলেকাত ভলুকামুৰিত থকা গভীৰ নলী নাদটোৱে কিমান হেক্টৰ মাটিত পানী যোগান ধৰা হয় ?

(খ) এলেকাটোত এনেধৰণৰ নলীনাদৰ নতুন আঁচনি লোৱা হৈছে নেকি ?

(গ) যদি লৈছে, ক'ত ক'ত লোৱা হৈছে জনাবনে ?

শ্ৰীপবিন চন্দ্ৰ ডেকা (জলসিঞ্চন মন্ত্ৰী) য়ে উত্তৰ দিছে :

৪৪। (ক)—এই আঁচনিৰ পৰা খেতি পথাৰত পানী যোগান ধৰা হোৱা নাই ।

(খ)—বৰ্তমান এই এলেকাত নলী নাদৰ কোনো নতুন আঁচনি লোৱা হোৱা নাই ।

(গ)—প্ৰযোজ্য নহয় ।

শ্ৰীসুৰেন স্বৰ্গীয়াৰী :— মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো এই নলী নাদটোৱে এতিয়ালৈকে খেতিপথাৰত কিয় যোগান ধৰিব পৰা নাই ?

শ্ৰীপবিন চন্দ্ৰ ডেকা ( জলসিঞ্চন মন্ত্ৰী )— ভলুকামুৰিত থকা এই গভীৰ নলীনাদটো ১৯৭২ চনতে ভূতত্ব আৰু খনি বিভাগে তত্তাতৈয়াকৈ লৈছিল আৰু ১৯৮১ চনত সেই আচনিটো জলসিঞ্চন বিভাগক হস্তান্তৰ কৰিছে। জলসিঞ্চন বিভাগে এই আচনিৰ জৰিয়তে পানীযোগান ধৰাৰ আগতে দুৰ্ভাগ্য ১৯৮১ চনত

এই আচনিৰ মুখত কোনোবা তুবুত্তই কিবা সোমাই দিলে ফলত তাত পানী উঠাব পৰা নাই। ইতিমধ্যে ১৯৭৬-৭৭ চনত ডেকাগাওঁত এটা জলসিঞ্চনৰ নূতন আচনি লোৱা হৈছে, সেই আচনিৰ পৰা ভুলুকামুৰিত থকা খেতিপথাৰ বিলাকে পানী পায়। গতিকে আগৰ আচনিৰ পৰা পানী যোগান ধৰাৰ প্ৰশ্ন নুঠে আৰু ভৱিষ্যতেওঁ পানী যোগানৰ প্ৰশ্ন নুঠে বা নহয়।

শ্ৰীসুৰেন স্বৰ্গীয়াৰী :— ৰাতিপুৱা উঠিয়েই এই নলীনাদটো দেখিলে যাত্ৰা ভঙ্গ হয়। গতিকে ইয়াক উঠাই অনাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীপবিন চন্দ্ৰ ডেকা ( মন্ত্ৰী ) — যিহেতু আচনিটো অকাৰ্য্যকৰী হৈ আছে গতিকে তাত যিবিলাক মেচিন ইত্যাদি আছে সেইবিলাক নীলাম আদি কৰাৰ ব্যৱস্থা কৰিব লাগিব।

কুমাৰ দীপক দাস ঃ - বৰপেটা জিলাত এনেকুৱা কিমান নলীনাদ বন্ধহৈ আছে। মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীপবিন চন্দ্ৰ ডেকা ( মন্ত্ৰী ) — এইটোৰ কাৰণে এটা সুকীয়া প্ৰশ্ন লাগিব।

শ্ৰীজয়নাথ শৰ্ম্মা :— গোটেই অসমতে গভীৰ বা অগভীৰ যিবিলাক নলী নাদ আছে সেইবিলাক অচল হৈ থকাৰ বাবে খৰাং বতৰতো খেতিয়কসকলে পানী পোৱা নাই। গতিকে ৰাইজৰ উপকাৰ্থে গোটেইবিলাক নলীনাদক কাৰ্য ক্ষম কৰি তোলাৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিছে নে নাই ?

শ্ৰীপবিন চন্দ্ৰ ডেকা (মন্ত্ৰী )— যিবিলাক অকাৰ্য্যকৰী নলীনাদ সেইবিলাক ইতিমধ্যে কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা লোৱা হৈছে।

শ্ৰীপ্ৰদীপ হাজৰিকা ঃ— আজিৰ পৰা ১৪ বছৰ আগতে ৰাইজৰ উপকাৰৰ কাৰণে জাজী নৈৰ পৰা এটা উত্তোলক জলসিঞ্চন আচনি লৈছিল কিন্তু সেইটোৰ পৰা ৰাইজৰ কোনো উপকাৰ অহা নাই বৰং ৪০/৫০ পুৰা মাটি খেতিয়কৰ নষ্ট হৈছে। এই কথা মন্ত্ৰী মহোদয়ে জানে নে ?

শ্ৰীপবিন চন্দ্ৰ ডেকা ( মন্ত্ৰী )—সদস্যগৰাকীয়ে এটা বেলেগ প্ৰশ্ন কৰিলে উত্তৰ দিবলৈ সুবিধা হব।

শ্ৰীতুৰ্গাদাস বড়ো ঃ— অকল বৰপেটা ভুলুকামাৰী বুলিয়ে নহয় ওদালগুৰী মহকুমাৰ ১০টা গভীৰ নলীনাদৰ ১০টা মটৰ চুৰী হৈছে যোৱা বছৰতে এই বিষয়ে চৰকাৰে জানে নে নাই আৰু যদি জানে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীপবিন চন্দ্ৰ ডেকা ( মন্ত্ৰী )— এনেকুৱা ঘটনা হৈছে যেতিয়া নিশ্চয় চৰকাৰে খবৰ পাইছে কিন্তু মাননীয় সদস্য গৰাকীয়ে বেলেগ এটা প্ৰশ্ন কৰিলে নিশ্চয় উত্তৰ দিব পৰা যাব ।

## বিঃ ফৰেষ্টাৰ নিযুক্তি

শ্ৰীহেমেন দাসে সুধিছে ঃ

* ৪৫। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১-৩-৮৬ তাৰিখৰ পৰা ২০-৭-৮৬ ইং তাৰিখৰ ভিতৰত মুখ্য বন সংৰক্ষকে (সাধৰণ) কিমান জন ফৰেষ্টাৰ আৰু ফৰেষ্ট গাৰ্ড নিযুক্তি দিছে ?

(খ) এই নিযুক্তিৰ বাবে কি পদ্ধতিত আবেদন পত্ৰ সংগ্ৰহ কৰা হৈছিল ?

শ্ৰীভৰত নৰহ (বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৫। (ক) ১-৩-৮৬ তাৰিখৰ পৰা ২০-৭-৮৬ তাৰিখলৈ মুখ্য বন সংৰক্ষকৰ (সাধাৰণ) দ্বাৰা কোনো বন পালক (ফৰেষ্টাৰ আৰু বন ৰক্ষীক (ফৰেষ্ট গাৰ্ড) নিযুক্তি দিয়া হোৱা নাই ।

(খ)—প্ৰশ্ন নুঠে ।

শ্ৰীহেমেন দাস ঃ— উত্তৰ কামৰূপ বন সংৰক্ষকে দুজন ফৰেষ্টাৰ এই চাৰ্কুলাৰৰ পাছত নিযুক্তি দিছে এই কথা মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ ( বন মন্ত্ৰী )— এই কথাটো আমাৰ দৃষ্টিগোচৰ হোৱা নাছিল কিন্তু মাননীয় সদস্যগৰাকীৰ প্ৰশ্নৰ পৰা আমাৰ দৃষ্টিগোচৰ হ'ল আমি নিশ্চয় অনুসন্ধান কৰিম ।

শ্ৰীহেমেন দাস ঃ— মোৰ লগত নাম চাম সব আছে । মই মন্ত্ৰী মহোদয়ক এটা কথা কব খুজিছো নিযুক্তি চাৰ্কুলাৰ বন্ধ হোৱাৰ পাছতো প্ৰায়বিলাক ডিভিজনতে নিযুক্তি হৈয়ে আছে ।

( উত্তৰ নাই )

Shri Charan Narzary— Mr. Speaker Sir, May I know from the Hon'ble Minister in-charge of Forests whether the Government is aware that a large number of casual and skilled labourers have been working in different forest divisions: If the Governmet is aware of this fact whether they are going to be given priority on preferential basis at the time of appointment: So far as Forest Guards and Foresters are concerned ?

শ্ৰীভৰত চন্দ্ৰ নৰহ ( মন্ত্ৰী )— এই বিষয়ে আমি বিবেচনা কৰি আছো।

শ্ৰীজয়নাল আবেদিন :— অধ্যক্ষ মহোদয় (ক) প্ৰশ্নত সোধা হৈছিল ১-৬-৮৬ তাৰিখৰ পৰা ২০-৭-৮৬ তাৰিখলৈ কিমান ফৰেষ্ট গাৰ্ড বা ফৰেষ্টাৰ নিযুক্তি হৈছে আৰু (খ) প্ৰশ্নত সোধা হৈছে নিযুক্তিৰ বাবে কি পদ্ধতিত আবেদনপত্ৰ সংগ্ৰহ কৰা হয়। প্ৰশ্নটো সোধা হৈছিল ২০-৭-৮৬ তাৰিখলৈ কিন্তু ১৯-৭-৮৬ তাৰিখে ধুবুৰী জিলাৰ বগুৰীবাৰীত কিছুমান ফৰেষ্টাৰে ফৰেষ্টগাৰ্ড নিযুক্তিৰ কাৰণে কি পদ্ধতিত আবেদন গ্ৰহণ কৰিছিল নাজানো তেওঁলোকৰ ৩০ কিঃমি দৌৰ প্ৰতিযোগিতা পাতিছিল তাৰ কাৰণে মেডিকেলৰ সুবিধা লোৱা নাই তাত ৪/৫ হাজাৰ লোক গোট খাইছিল তেওঁলোকৰ সুৰক্ষাৰ কোনো ব্যৱস্থা কৰা নাছিল অভিজ্ঞ হাকিম নাছিল যাৰ কাৰণে অপ্ৰৰোচিত ভাৱে গুলিচালনাত এজন যুবকে মৃত্যুবৰণ কৰিবলগীয়া হ'ল। এই সংক্ৰান্তত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে জনাবনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ ( মন্ত্ৰী )— এই প্ৰশ্নটো বৰ গুৰুত্বপূৰ্ণ আৰু ইয়াৰ উত্তৰো গুৰুত্বপূৰ্ণ হব। গতিকে এটা বেলেগ প্ৰশ্ন কৰিলে ভাল হব।

শ্ৰীজয়নাল আবেদিন :— এইটোৰ কাৰণে বেলেগ প্ৰশ্ন নালাগে এইটো ৰিলেভেণ্ট। প্ৰশ্নটো আছে ২০ তাৰিখলৈ কিন্তু এই ঘটনাটো ১৯ তাৰিখৰ।

শ্ৰীজয়নাথ শৰ্মা :— এইটো নতুন কথা, কিহৰ পৰীক্ষা আছিল এলডিএ নে ফৰেষ্টাৰ সেইটো আগতে জনাব লাগে। তাৰ কাৰণে তেখেতে আধা ঘণ্টা আলোচনাৰ কাৰণে জাননী দিব পাৰে।

শ্ৰীভৰত চন্দ্ৰ নৰহ ( মন্ত্ৰী ) — এইটো গুৰুত্বপূৰ্ণ কথা বেলেগ প্ৰশ্ন কৰিলে উত্তৰ দিবলৈ সুবিধা হয়।

Shri Altaf Hussain Mazumdar :— Mr. Speaker Sir, may I draw the attention of the Hon'ble Speaker to the fact that if the information is not ready at the moment, the question may be kept pending so that in the mean time the Department may give the information.

মাননীয় অধ্যক্ষ :— মন্ত্ৰী মহোদয়ে আগতে কৈছে যে বেলেগ প্ৰশ্ন লাগিব নতুবা তেখেতে আধাঘণ্টা আলোচনাৰ জাননীও দিয়া বুলি কলে। গতিকে প্ৰশ্নটো পেণ্ডিং নাথাকে।

*Re* : **Clearing of land in International Boundary**

Shri MAZIRUDDIN AHMED asked -

* 46 Will the Chief Minister be pleased to state--

(a) Whether the Government has taken an account of land to be made clear from the Zero point of international boundary line for erecting walls, barbed wire fencing androads to protect infiltration of foreigners ?

(b) If so, the quantity of land to be made clear and the number of families to be affected there by ?

(c) If not, will the Government take up the survey work and make prior arrangement to rehabilitate the actual cultivators by giving them alternative land for cultivation ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

৪৬ . (ক)—জৰীপৰ কাম শেষ হ'লে আনুসংঙ্গিক বিষয় বোৰৰ সংক্ৰান্তত তথ্য যুগুতাব পৰা হব।

(খ)— প্ৰশ্ন নুঠে।

(গ)— সময়ত চৰকাৰে উপযুক্ত ব্যৱস্থা লোৱাৰ ব্যৱস্থা কৰিব।

শ্ৰীজয়নাথ শৰ্মা :— অধ্যক্ষ মহোদয়, জৰীপৰ কথাত কব বিচাৰিছোঁ যে এইটো চৰকাৰৰ জ্ঞাত নহয় নেকি যে অসম বাংলাদেশ সীমান্তত "ন'মেন্ চলেভ" বুলি কোনো বস্তু নাই তাত কিছুমান বাংলাদেশীয়ে বেদখল কৰি আছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী )— অধ্যক্ষ মহোদয়, জৰীপৰ কাম শেষ হোৱাৰ লগে লগেই এই কথা কব পৰা যাব।

শ্ৰীআফজলুৰ ৰহমান :— অধ্যক্ষ মহোদয়, ইতিমধ্যে গোৱালপাৰা জিলাৰ গড়কাপ্তানী বিভাগৰ ইঞ্জিনীয়াৰ, অভাৰচিয়াৰ, এচ, ডি, ও আদিক এমাহৰ কাৰণে চাৰ্ভে কৰিবলৈ দিয়া হৈছিল নেকি ? যদি হৈছিল তেন্তে চাৰ্ভেৰ কাম শেষ হল নে নাই ? যদি হোৱা নাই তেন্তে এই এমাহ নিজৰ বিভাগীয় কাম বন্ধ কৰি জৰিপ লাইনলৈ পঠোৱাৰ কাৰণ কি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী )— অধ্যক্ষ মহোদয়, কাৰণটো তেনেই সহজ প্ৰথম কথা হৈছে অসম চুক্তিৰ ফলত তাত জৰীপ কাৰ্য্য কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দ্দেশত চলোৱা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ অনুমতি ক্ৰমেই গড়কাপ্তানী বিভাগে জৰীপৰ কামত সহায় কৰিবলগীয়া হৈছিল। যোৱা ১ জুন তাৰিখে বি-এচ-এফক পাঞ্জাবলৈ নিবলগীয়া হোৱাত এমাহৰ কাৰণে জৰীপৰ কাম বন্ধ আছিল। এতিয়া আকৌ কেন্দ্ৰীয় চৰকাৰৰ পৰা নিৰ্দ্দেশ পোৱাৰ লগে লগেই কাম আৰম্ভ কৰিবলৈ লোৱা হৈছে।

শ্ৰীমজিবুদ্দিন আহমেদ :—অধ্যক্ষ মহোদয়, যিখিনি মানুহ এই জিৰ'লেণ্ডৰ পৰা উচ্ছেদ হব সেইখিনিৰ কাৰনে সংস্থাপনৰ ব্যৱস্থা কৰা হৈছে নে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী )— অধ্যক্ষ মহোদয়, চৰকাৰে নিশ্চয় ব্যৱস্থা লব।

শ্ৰীজয়নাথ শৰ্মা— অধ্যক্ষ মহোদয়, জিৰ' লাইনত থকা মানুহখিনি ভাৰতীয় নাগৰিক যদি নহয় তেন্তে আমি কিয় সংস্থাপনৰ ব্যৱস্থা কৰি দিব লাগে ?

শ্ৰীমজিবুদ্দিন আহমেদ— অধ্যক্ষ মহোদয়, এইটো এটা বেয়া কথা বা অভিযোগকাৰী ভাৰতীয় সীমাৰেখাৰ ভিতৰত যিবিলাক মানুহ আছে তেওঁলোকক সন্দেহযুক্ত বিদেশী বুলি সদায় কোৱা হয় এটো কেনে কথা ? এজন মুছলীম বা বঙালী মানুহক দেখিলেই বিদেশী বুলি কোৱাটো গুৰুত্বপূৰ্ণ অভিযোগ। যদি সন্দেহযুক্ত বিদেশী আছেই তেন্তে চৰকাৰে ব্যৱস্থা লৈ উলিয়াই নিদিয়ে কিয় ?

( উত্তৰ নাই )

## বিঃ ইণ্ডিয়া কাৰ্বনৰ বিক্ৰীকৰ

শ্ৰীদীনবন্ধু চৌধুৰীয়ে সুধিছে :

* ৪৭। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) যোৱা ১০ বছৰৰ ভিতৰত ইণ্ডিয়া কাৰ্বন লিঃক (গুৱাহাটী) বিক্ৰী কৰ ঘূৰাই দিয়া হৈছেনে, আৰু যদি হৈছে কি যুক্তিত বা কাৰণত সেইটো কৰা হৈছে ?

(খ) যোৱা ১০ বছৰৰ ভিতৰত কি সামগ্ৰীৰ ওপৰত লগোৱা আৰু আদয়কৃত বিক্ৰী কৰ কোন বছৰত কিমান টকা কেতিয়া উক্ত প্ৰতিষ্ঠানক ঘূৰাই দিয়া হৈছে আৰু কোন বছৰৰ বিক্ৰী কৰ ঘূৰাই দিয়াৰ বাবে কৰ আবেদন চৰকাৰৰ বিবেচনাধীন হৈ আছে।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

৪৭। (ক) হয়, দিয়া হৈছে। ভাৰতীয় সংবিধানৰ ২৮৬ ধাৰৰ ৩ অনুচ্ছেদৰ মৰ্ম্মে সংসদে আইন কৰি যি কোনো সামগ্ৰীকে আন্তঃৰাজ্যিক ব্যৱসায় আৰু বাণিজ্যত বিশেষ গুৰুত্বপূৰ্ণ সামগ্ৰী বুলি ঘোষণা কৰিব পাৰে। এইদৰে ঘোষিত সামগ্ৰী সমূহৰ ওপৰত ৰাজ্যিক বিক্ৰী কৰ আদি আৰোপ কৰাত সংসদে আইন কৰি কিছুমান বাধা নিষেধ জাৰি কৰি নিয়ন্ত্ৰিত কৰিব পাৰে। সংবিধানৰ ২৮৬ ধাৰাৰ মৰ্ম্মে কেন্দ্ৰীয় বিক্ৰী কৰ আইনৰ ১৪ ধাৰা যোগে কোকৰ সামৰি সকলো ধৰণৰ কয়লাকে Coal including coke in all its forms আন্তঃৰাজ্যিক ব্যৱসায় আৰু বাণিজ্যৰ ক্ষেত্ৰত এবিধ বিশেষ গুৰুত্বপূৰ্ণ সামগ্ৰী কৰা হৈছে। আকৌ কেন্দ্ৰীয় বিক্ৰীকৰ আইনৰ ১৫ ধাৰা অনুযায়ী এইদৰে গুৰুত্বপূৰ্ণ বুলি ঘোষণা কৰা সামগ্ৰীসমূহৰ বিক্ৰীৰ ওপৰত মাত্ৰ এবাৰহে কৰ আৰোপ কৰিব পৰা ব্যৱস্থা আছে। এই ধাৰা অনুসৰি এনে ধৰণৰ সামগ্ৰীৰ বিক্ৰীৰ ওপৰত কেন্দ্ৰীয় বিক্ৰী কৰ আইনৰ অধীনত যদি কোনো ব্যৱসায়ীয়ে কৰ দিয়ে তেতিয়াহলে সেইবিধ সামগ্ৰীৰ বিক্ৰীৰ ওপৰত দিয়া ৰাজ্যিক বিক্ৰী কৰখিনি তেওঁক ঘূৰাই দিব লাগিব।

"পেট্ৰোলিয়াম কোক" নামৰ সামগ্ৰীৰ বিক্ৰীৰ ওপৰত ১৯৫৫ চনৰ অসম (পেট্ৰোলিয়াম আদিকৰ আইনৰ অধীনত কৰ দিব লগীয়া হয়। ইণ্ডিয়া কাৰ্বন লিঃ নামৰ ব্যৱসায় প্ৰতিষ্ঠানটোৱে অসমৰ তেল শোধনাগাৰৰ পৰা "কেচা

পেট্ৰোলিয়াম কোক” কিনে। এইদৰে কিনা “কেচা পেট্ৰোলিয়াম কোকৰ” বাবদ প্ৰতিষ্ঠানটোৱে ৰাজ্যিক বিক্ৰী কৰ ভৰিব লগীয়া হয়। আনহাতে প্ৰতিষ্ঠানটোৱে এইদৰে কিনা “কেচা পেট্ৰোলিয়াম কোকৰ” পৰা কেলচাইন্দ পেট্ৰোলিয়াম কোক” প্ৰস্তুত কৰি সেই “কেলচাইন্দ পেট্ৰোলিয়াম কোক” ৰ বিক্ৰীৰ বাবদ কেন্দ্ৰীয় বিক্ৰী কৰ আইনৰ অধীনত কৰ দিয়ে। ৰাজ্য চৰকাৰৰ আইন বিভাগৰ মতামত লৈ এটা সিদ্ধান্ত লোৱা হৈছিল যে যিহেতু প্ৰতিষ্ঠান.টোৱে বিক্ৰী কৰ সামগ্ৰীৰ ওপৰত তেওঁলোকে কেন্দ্ৰীয় বিক্ৰী কৰ আইনৰ অধীনত কৰ দিয়ে, গতিকে সংবিধান আৰু কেন্দ্ৰীয় বিক্ৰী কৰ আইনৰ ওপৰত উল্লেখ কৰা বিধান অনুসৰি প্ৰতিষ্ঠানটোৱে কিনাৰ সময়ত “কেচা পেট্ৰোলিয়াম কোক”ৰ ওপৰত ভৰিব লগীয়া হোৱা ৰাজ্যিক বিক্ৰী কৰ প্ৰতিষ্ঠানটোৱে ঘূৰাই পাব লাগে। উল্লেখযোগ্য যে উচ্চতম ন্যায়ালয়ে দিয়া এটা ৰায় অনুসৰি প্ৰতিষ্ঠানটোৱে কিনা আৰু বেচা দুয়োবিধ সামগ্ৰীৰ আন্তঃ ৰাজ্যিক ব্যৱসায় আৰু বাণিজ্যৰ ক্ষেত্ৰত কেন্দ্ৰীয় বিক্ৰী কৰ আইনৰ ১৪ ধাৰা অনুসৰি বিশেষ গুৰুত্বপূৰ্ণ সামগ্ৰী বুলি ধৰিব লগা হৈছে।

(খ)-যোৱা দহ বছৰৰ ভিতৰত উক্ত প্ৰতিষ্ঠানক কেচা পেট্ৰোলিয়াম কোক নামৰ সামগ্ৰীৰ ওপৰত লগোৱা আৰু আদায়কৃত ৰাজ্যিক বিক্ৰী কৰ ঘূৰাই দিয়া হয়। এইদৰে ঘূৰাই দিয়া কৰৰ সবিশেষ তলত উল্লেখ কৰা হল :—

| কোন বছৰৰ বাবে | ঘূৰাই দিয়া ৰাজ্যিক বিক্ৰী কৰৰ পৰিমাণ | কোন বছৰত ঘূৰাই দিয়া হয় |
|---|---|---|
| ১৯৬৪-৬৫ | ৪৫,০৫৩ | ১৯৭৪ |
| ১৯৬৫-৬৬ | ১,৩৮,১১৫ | ,, |
| ১৯৬৬-৬৭ | ১,৩৯,৪৬৭ | ১৯৭৮ |
| ১৯৬৭-৬৮ | ২,৪২,৬৩২ | ,, |
| ১৯৬৮-৬৯ | ২,৩২,৭৭৫ | ,, |
| ১৯৭২-৭৩ | ১,৪৩,৩৭৯ | ,, |
| ১৯৭৩-৭৪ | ৫'১০,০৭৭ | ,, |
| ১৯৭৪-৭৫ | ১৪,৪২.৩৩০ | ,, |
| ১৯৭৫-৭৬ | ১১,৫২,৫২২ | ? |
| | ১০,২২,৬৭০ | ১৯৮৪ |
| ১৯৭৬-৭৭ | ২২,৩৪,০০৯ | ,, |
| ১৯৭৭-৭৮ | ১৭.৭৪,৯৬২ | ,, |
| ১৯৭৮-৭৯ | ১৮,৭৯,০২২ | ,, |
| ১৯৭৯-৮০ | ৩০,০৬,৫৩৫ | ,, |

বিক্ৰী কৰ ঘূৰাই পাবৰ বাবে চৰকাৰৰ পৰীক্ষাধীন হৈ থকা আবেদন সমূহ ১৯৮০-৮১, ১৯৮১-৮২, ১৯৮২-৮৩ আৰু ১৯৮৪-৮৫ ( ৩০-৯-৮৪ তাৰিখলৈকে ) চনৰ ।

শ্ৰীদীনবন্ধু চৌধুৰী :—অধ্যক্ষ মহোদয়, মই জানিব খুজিছোঁ সংবিধানৰ ২৮৬ ধাৰাৰ মৰ্ম্মে কেন্দ্ৰীয় বিক্ৰী কৰ আইনৰ ১৪ ধাৰা যোগে কোকক সামৰি সকলো ধৰণৰ কয়লাকে Coal including coke in all forms. গতিকে কেচা সামগ্ৰী হল কেচা পেট্ৰলিয়াম কোক কিন্তু তেওঁলোকে বিক্ৰী কৰে কেলচাইদ পেট্ৰোলিয়াম কোক প্ৰস্তুত কৰি। গতিকে ১৫ ( বি ) ধাৰা তেওঁলোকে ভঙ্গ কৰিছে। ১৪ ( ১' )ত এইটো প্ৰযোজ্য নহয়। চুপ্ৰীম কৰ্টে কেৰেলাৰ এটা কেচৰ ক্ষেত্ৰত এটা ৰায় দি কৈছে সেইটো হল it is not applicable. গতিকে এতিয়া এইটো এই ৰায়ৰ বিপক্ষে যোৱাৰ নিচিনা হৈছে। সেয়ে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ যে ১৫ ( বি ) ভঙ্গ কৰি এই ইণ্ডিয়া কাৰ্বনক ইমান কোটি টকা কিয় ৰেহাই দিয়া হল ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, গোটেই বিষয় বস্তুটো নিৰ্ভৰ কৰিছে ইষ্টৰ প্ৰিটেনৰ ওপৰত। মই গোটেই আগৰ ব্যৱস্থা আদি চাই লৈ আৰু এডভোকেট জেনেৰেলৰ মতামত লৈ তেওঁলোকক ঘূৰাই দিয়া হৈছে আৰু ভৱিষ্যতে যাতে তেনে নহয় তাৰ বাবে এনে বিল সদনত উত্থাপন কৰিলে আৰু তাত সদনে অনুমতি জনালে এখন আইন পাছ কৰিব পৰা হব। আৰু ভৱিষ্যতে তেনে হোৱাৰ সুবিধা নাথাকিব।

শ্ৰীদীনবন্ধু চৌধুৰী :— এই প্ৰশ্নৰ উত্তৰত মই সন্তুষ্ট হব পৰা নাই। বহু কৌটি টকাৰ ৰাজহ চৰকাৰে হেৰুৱাব লাগিব। গতিকে এই টকাটো ঘূৰাই লোৱাৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) :— গোটেই বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

## বিঃ গাওঁ পঞ্চায়তৰ এড হক কমিটি

শ্ৰীমকবুল হুচেইনে সুধিছে ঃ

* ৪৮. মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গাওঁ পঞ্চায়তৰ এড হক কমিটি গঠন কৰা হবনে ?

(খ) যদি এড হক কৰা হয় তেন্তে পঞ্চায়তৰ সভাপতি, কাউন্সিলৰ আৰু সদস্য কি ধৰণে বাছনি কৰিব ?

(গ) উক্ত বাছনিৰ ক্ষেত্ৰত স্থানীয় বিধায়ক সকলৰ পৰামৰ্শ লবনে ?

শ্ৰীচন্দ্ৰ আৰান্ধৰা (পঞ্চায়ত বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) — হব ।

(খ) —উক্ত পদ বিলাক চৰকাৰৰ দ্বাৰা মনোনীত প্ৰাৰ্থীৰ পৰা বাছনি কৰা হব ।

(গ) প্ৰয়োজন বোধ কৰা নাই ।

শ্ৰীমকবুল হুচেইন ঃ— অধ্যক্ষ মহোদয়, মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে এই নিৰ্ব্বাচন কেনেকৈ অনুষ্ঠিত কৰা হব ?

শ্ৰীচন্দ্ৰ আৰান্ধৰা ( মন্ত্ৰী ) ঃ— মাননীয় অধ্যক্ষ মহোদয়, এইটো প্ৰশ্নৰ উত্তৰ পৰহিয়েই এই সদনতে দিয়া হৈছিল । আমাৰ সন্মানিত ৰাষ্ট্ৰপতিয়ে বিলখনত অনুমোদন কৰিলেই, সোনকালে নিৰ্ব্বাচন পতা হব ।

শ্ৰীকুল বাহাদুৰ চেত্ৰী ঃ—অধ্যক্ষ মহোদয়, বিলখনত অনুমোদন পোৱা হৈ গল নেকি ?

শ্ৰীচন্দ্ৰ আৰান্ধৰা ( মন্ত্ৰী ) ঃ— অধ্যক্ষ মহোদয়, হোৱা নাই । হৈ যোৱা হলে মাননীয় সদস্য গৰাকীয়ে নিশ্চয় গম পালেহেঁতেন ।

Shri Binai Khungur Basumatary— Mr. Speaker Sir, Hon'ble Minister, Panchayat on 12th March this year committed on the floor of the House that he will hold election, what happened to that commitment ?

শ্ৰীচন্দ্ৰ আৰান্ধৰা ( মন্ত্ৰী ):— অধ্যক্ষ মহোদয়, মই অতি দুখেৰে সৈতে জনাবলগীয়া হৈছো এই প্ৰশ্নৰ উত্তৰ মই আগতেই দিছো কিন্তু সেই সময়ত মাননীয় সদস্য গৰাকী সদনত উপস্থিত নাছিল।

Shri Binai Khungur Basumatary— My absence does not matter. I asked the Hon'ble Minister what happened to his commitment? He made commitment before the House that he will get the Bill approved by the President. I want to know what happened to his commitment for holding the election? He has failed to do so.

Shri Chandra Arandhara, Minister— Mr. Speaker Sir, the words 'he failed to do so' must be withdrawn by the Hon'ble Member. Whatever is required from the side of the Govt. we have been moving to get the bill signed by the Hon'ble President. Hon'ble Member should not utter that I have failed to do so.

Shri Binai Khungur Basumatary-- Mr. Speaker Sir, he has failed. It is a very serious matter.

Shri Chandra Arandhara, Minister— Does the Hon'ble Member think that I should personally go to Delhi and request the President of India to sign the Bill? (Noise)

Shri Binai Khungur Basumatary— It is a matter of assurance to the House.

Mr. Speaker— Hon'ble Minister has already explained,

Shri Charan Narzary— May I know from the Hon'ble Minister, Panchayat, whether the Government is aware of the fact that because of irregular payment in the Mahakuma Parishad and also in the Panchyats the employees have not received their salaries for about last 45 months and if

he is aware then what steps have been taken to pay their monthly salaries and arrears ?

Shri Chandra Arandhara, Minister— Mr. Speaker Sir, the matter as brought by the Hon'ble member will surely be looked into and the Government is also thinking to make some payment of the arrears.

Dr. Ardhendu Dey- Hon'ble Minister, Panchayat has already assured the House that it will be settled very soon but why it could not be settled ? The house is misled by the Hon'ble Minister.

Shri Charan Narzary— It cannot be expected that the concerned employees will live on air. Mr. Speaker Sir. you can imagine what will happen to a person if he does not get his salaries even for a month. But these are the people who are not getting their salaries not only for 2, 3 or 4 months but for continuous 45 months, what will be their pitiable conditions ? This is a very serious matter. Hon'ble Minister should assure that effective steps for payment of their salaries will be taken within the specified time limit.

Shri Chandra Arandhara, Minister – Mr. Speaker Sir, as has been mentioned by the Hon'ble Member that 45 months salaries were not given, it took place prior to the A G.P. Government come to power. However the same is under active cocsideration of the Government. I personally feel that the payment should be made but we will have to observe the formalities, and also the concurrence of the Finance Deptt. It also to be obtained.

শ্ৰীহেমেন দাস :— মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা জানিব বিচাৰিছো যদি পঞ্চায়ত বিলখনত ৰাষ্ট্ৰপতিৰ অনুমোদন হৈ আছে তেন্তে এড-হকৰ প্ৰয়োজন নাই আৰু যদি বিলখনত ৰাষ্ট্ৰপতিৰ অনুমোদন হৈ নাহে তেন্তে কি হব? পূৰ্ব্বৰ নিয়ম মতে এড-হক পঞ্চায়ত গঠন কৰা হবনেকি?

শ্ৰীচন্দ্ৰ আৰান্ধৰা (মন্ত্ৰী)— অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত ৰাষ্ট্ৰপতিৰ অনুমোদন হৈ নহাতো অবাস্তৱ কথা। আৰু যদি কিবা কাৰণত ৰাষ্ট্ৰপতিৰ অনুমোদন অহাত পলম হয় তেনেহলে এড-হক পত্য-নপতা বিষয়ে আলোচনা কৰি বিবেচনা কৰা হব।

Shri Binai Khungur Basumatary— When this Bill passed by the House will sent for approval of the President of India aud not signed by the President then under what law can the Government appoint an adhoc Committee?

শ্ৰীচন্দ্ৰ আৰান্ধৰা (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, যদি ৰাষ্ট্ৰপতিৰ চহী হৈ নাহে তেন্তে আগৰ ব্যৱস্থামতেই তুভৰপীয়াকৈয়ে এড-হক কমিটি গঠন কৰাৰ বাবে ব্যৱস্থা কৰিবলগীয়া হব পাৰে।

শ্ৰীহেমেন দাস— অধ্যক্ষ মহোদয়, যদি তুভৰপীয়া এড-হক কমিটি গঠন কৰা হয় তেনেহলে যেন পূৰ্বৰ চৰকাৰে কৰাৰ দৰে নকৰে?

মাননীয় অধ্যক্ষ— এতিয়া মন্ত্ৰীয়ে উত্তৰ দিব।

শ্ৰীচন্দ্ৰ আৰান্ধৰা— মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টোৰ ওপৰত যথেষ্ট উত্তৰ দিয়া হল ইতিমধ্যে মোৰ আৰু কবলগীয়া একো নাই।

Mr. Speaker— Order, Order no further supplementaries allowed. Please sit down. Next question.

*Re:* **Grade 1 Stenographer to Judges**

Shri ABDUL ROB LASKAR asked :

* 49 Will the Minister, Law be pleased to state—

a) Whether the Government is aware that District and Additional District & Sessions Judge, are entitled to grade I Stenographers ?

(b) If so, whether the Stenographers working under the District & Additional District & Sessions Judges are grade I ?

(c) If not, when the grade I Stenographers will be provided to them ?

Shri SURENDRA NATH MEDHI ( Minister, Law, etc. ) replied :

49.—(a) Yes.

(b)—No.

(c)—Steps are being taken to provide grade I Steno to the District & Additional District & Sessions Judges:

Shri Abdul Rob Laskar— Mr. Speaker Sir, the posi tion is that the Stenographers who are attached to the District & Sessions Judges and Additional District & Sessions Judges are Grade I Stenographers but they are given the salaries as Grade II Stenographers. May I know whether the Hon. Minister of Law is aware of this fact ? And if he is aware, whether he will take steps to give these Stenographers the salaries of Grade I ?

Shri Surendra Nath Medhi ( Minister )— Stenographers attached to the Dtstrict & Sessions Judges and Additional District & Sessions Judges may get the salaries of Grade I Stenographers as and when they pass the Grade I Examination. If he is a Grade II Stenographers then he will draw the salary of Grade II, although there may be a post of

Grade I Stenographer attached to each of District and Addl. District & Sessions Judges, This is the position sir.

Shri Altaf Hussain Mazumdar— Sir, so far as the Stenographers in the Sessions Courts are concerned, they should be Grade I Stenographers. It might be that for non-availability of Grade I Stenographers at the time of recruituent, Grade II Stenographers have been appointed. Now if a Grade II Stenographers attached to the District Judge has passed the Grade I Stenogrphers Examination why then he is not appointed as Grade I Stenographer and given the Grade I pay scale now ?

Shri Surendra Nath Medhi ( Minister )— Sir, the Stenographer attached to the District & Sessions Judge at Silchar passed the Grade I Examination in the year 1984 when the Congress I Govt. was there in Assam. Why then, the then Government had not given him Grade I post.

Shri Altaf Hussain Mazumdar – Mr. Speaker sir, the Hon. Minister is not answering properly because the Government is a continuity and their party is in the Government and they cannot make it a point whether or what the Congress I Government had not done to abselv of their responsibility.

Shri Surendra Nath Medhi ( Minister ) – I am just citing an instance sir, and what they could not do, we are trying to do.

বিঃ শ্বহীদৰৰ সাহায্য

শ্ৰীমুক্তাৰ হুচেইনে সুধিছে ঃ

* ৫০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৮৩ চনৰ অসমৰ বিধান সভা নিৰ্বাচনত শ্বহীদ হোৱা ব্যক্তি সকলৰ নিকটতম আত্মীয়ক ৩০,০০০ ( ত্ৰিশ হেজাৰ ) টকা এক কালীন দান হিচাবে দিয়া হৈছে এই কথাটো সচা নে ?

(খ) যদি সচা, উক্ত নিৰ্বাচনত অসমত মুঠ কিমান জন শ্বহীদ হৈছিল জনাব নে ? (শ্বহীদ সকলৰ তালিকা সদনৰ মেজত ৰাখিব)

(গ) চৰকাৰে ঘোষণা কৰা ত্ৰিশ হেজাৰ টকা প্ৰত্যেক জন শ্বহীদৰ পৰিয়ালে পাইছে নে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫০। (ক)—অসমৰ অস্তিত্ব ৰক্ষাৰ হেতু সুদীৰ্ঘ আন্দোলনত অংশ গ্ৰহণ কৰি প্ৰাণ আহুতি দিয়া শ্বহীদ সকলৰ নিকটতম আত্মীয়ক নগদ ৩০,০০০ (ত্ৰিশ হেজাৰ) টকা এক কালীন মঞ্জুৰী হিচাবে দিয়া হৈছে। ১৯৮৩ চনৰ অসম বিধান সভা নিৰ্বাচনৰ সংক্ৰান্তত মৃত্যু হোৱা সকলো ব্যক্তিকে শ্বহীদ বুলি গণ্য কৰা হোৱা নাই বা এক কালীন মঞ্জুৰী হিচাবে ৩০,০০০ টকা দিয়া হোৱা নাই।

(খ) —অসম আন্দোলনত মৃত্যু বৰণ কৰা ৬৮৯ জনক শ্বহীদ ঘোষণা কৰা হৈছে। ইয়াৰ তালিকা এখন সদনৰ মেজত ৰখা হ'ল।

(গ) ৬৮৯ জন শ্বহীদৰ পৰিয়ালৰ ভিতৰত ৫৭৮ জনৰ পৰিয়ালে ৩০,০০০ (ত্ৰিশ হেজাৰ) কৈ টকা ইতিমধ্যে পাইছে। বাকী থকা সকলৰ পৰিয়ালৰ সম্পূৰ্ণ ঠিকনা তৎকালীন ভাৱে নোপোৱাত এক কালীন দান দিব পৰা হোৱা নাই। বিৱৰণৰ বাবে অনুসন্ধান কৰোৱা হৈছে। সবিশেষ তথ্য পোৱাৰ লগে লগে এককালীন মঞ্জুৰী দিয়া হব।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী )— মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি পালে এই প্ৰশ্নটোৰ উত্তৰ ইয়াৰ আগতে মই আগৰ প্ৰশ্নৰ এটা স্পষ্টীকৰণ দিব বিচাৰিছো— সেইটো হ'ল বাৰিষা হোৱাৰ কাৰণে আৰু সেই অঞ্চলত মৰাপাট, ধান ইত্যাদিৰ খেতি হৈ থকাৰ কাৰণে তাত জৰীপৰ কাম কৰিব পৰা নাই। কাম স্থগিত হৈ আছে। এতিয়া প্ৰশ্নটো অহাৰ পাচতো আৰু কিছু লোকলৈ সাহাৰ্য্য আগবঢ়োৱা হৈছে। গতিকে সংখ্যাটো আৰু আগবাঢ়ি যাব।

শ্ৰীমুক্তাৰ হুচেইন — মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে জনাইছে যে, ৬৩২ জন শ্বহীদ ঘোষণা কৰা হৈছে। ইয়াৰ ভিতৰত নগাওঁ জিলাৰ নেলী আৰু বৰবৰী গাওঁত কিমানজন শ্বহীদ হৈছিল জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী )— অসম চুক্তিৰ যিটো স্পীৰিট সেই হিচাবে ঘোষণা কৰা হৈছিল আৰু তেওঁলোকক সাহাৰ্য্য আগবঢ়োৱা হৈছে।

শ্ৰীমুক্তাৰ হুচেইন— নেলী আৰু বৰবৰীত কিমানজন শ্বহীদ আছিল নে, নাই সেই হিচাবটো আমাক জনাব লাগে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী )— যিসকল সংঘৰ্ষত ঢুকাইছে, আন্দোলনৰ কেচত নহয় তেওঁলোকক শ্বহীদ ঘোষণা কৰা হোৱা নাই।

শ্ৰীমুক্তাৰ হুচেইন — নগাওঁৰ নেলী বা বৰবৰীত যিখিনি মানুহ মৰিছে তেওঁলোকে আন্দোলন কৰিছিল নে বিৰোধীতা কৰিছিল সেই কথা আমাৰ চৰকাৰে কেনেকৈ জানিলে বা কি ভিত্তিত জানিলে ?

Shri Binai Khungur Basumatary— Sir, in his reply the Hon. Chief Minister has said that those who were martyers in the Assam Movement, their families have been granted an abhoc grant @ thirty thousand rupees. Now due to the Assam Movement, 250 Bodos also had died in Gehpur. May I know from the Chief Minister whether their families have been paid this abhoc grant ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী )—মাননীয় অধ্যক্ষ মহোদয়, অকল গহপুৰতে নহয় অসমৰ বিভিন্ন ঠাইত তেনেকুৱা ঘটনা হৈছে। সেইবিলাক ঠাইৰ মানুহেও এনে সহায় পাইছে। খবৰ যদি পোৱা নাই সেইটো সুকীয়া কথা।

শ্ৰীজয়নাথ শৰ্ম্মা— মাননীয় অধ্যক্ষ মহোদয়, আন্দোলনৰ বিৰোধিতা কৰা আৰু আন্দোলনকাৰীক আক্ৰমণ কৰা কিছুমান লোকক এনেধৰণৰ সাহাৰ্য্য দিয়া হৈছে নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী )— মাননীয় অধ্যক্ষ মহোদয়, আন্দোলনৰ সংক্ৰান্তত শ্বহীদ হোৱাই হওক বা সংঘৰ্ষত মৃত্যু হোৱাই হওক বা আহত হোৱাই হওক বা কিবা কাৰণতেই হওক তাত বিভিন্ন ধৰণে সাহাৰ্য্য দিয়াৰ ব্যৱস্থা এটা আছে।

Dr Ardhendu Kumar Dey— Will the Hon. Minister clarify the point how could it he stated that they were against the movement and how could they be denied the adhoc grants ?

Mr Speaker— Please don't interrupt. Sit down. Shri Upadhaya will put his question ?

শ্ৰীস্বৰূপ উপাধ্যায়— যি সকল বড়ো ৰাইজে আন্দোলনক চাপোৰ্ট কৰিছিল আৰু আন্দোলনক বিৰোধীতা কৰিছিল সেই সকলেও পাইছে নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী )— মাননীয় অধ্যক্ষ মহোদয়, বিৰোধীতা বা সমৰ্থন কৰাৰ প্ৰশ্ন নুঠে। আন্দোলনৰ সময়ত সংঘৰ্ষত যিবিলাকৰ নাম ঘোষণা কৰা হৈছে চৰকাৰৰ ফালৰপৰা তেওঁলোকক সাহাৰ্য্য দিয়াৰ ব্যৱস্থা আছে।

শ্ৰীস্বৰূপ উপাধ্যায়— শ্বহীদ বুলি ঘোষণা যে কৰা হয় তাৰ কিবা ক্ৰাইতেৰীয়া আছে নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী )— যোৱা কালি এই সম্পৰ্কে আলোচনা হৈছিল। মাননীয় সদস্য গৰাকীয়ো ৰোধহয় উপস্থিত আছিল।

### *Re :* Silghat Jute Mill

Shri Abdul Jalil asked :

* 51 Will the Minister, Co-operation be pleased to state

(a) Whether the production of Assam Co-operative Jute Mill at Silghat is going on or not ?

(b) If it is in the affirmative the total production made since January 1st 1986 till June 30, 1986 ?

(c) The number of retrenched employees of the mill

have so far been reinstated and what about the remaining retrenched employees ?

(d) The total amount of grant and loan given to the mill from January, 1986 to 30th June, 1986 ?

Shri Lalit Chandra Rajkhowa, ( Minister, co-operation ) replied :

51. (a)—Yes, the production of Assam Co-operative Jute Mill at Silghat is going on with effect from 1st January 1986.

(b) The total production with effect from 1st January 1986 to 30th June 1986 is 695. 695 M. T.

(c) Considering the actual requirement of the mill at present, 725 persons have so far been re-employed. Some more people may be re-employed as and when such occasion arises.

(d) Total amount of Rs. 63.00 lakhs has been given to the mill as grant and loan from January. 1986 to June 1986.

### বিঃ ভাৰত বাংলাদেশ সীমান্ত ৰাস্তা

শ্ৰীআমিনুল ইছলামে সুধিছে :

* ৫২। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) মানকাছাৰ সমষ্টিৰ সংলগ্ন ভাৰত বাংলাদেশ সীমান্তৰ, প্ৰস্তাৱিত সীমান্ত ৰাস্তা নিৰ্ম্মাণৰ কাম হাতত লোৱা হৈছে নে ?

(খ) যদি লোৱা হৈছে তেন্তে কোন কোন ঠাইত লোৱা হৈছে আৰু কাম কিমান দূৰ আগবাঢ়িছে ?

(গ) উক্ত ৰাস্তা সমূহ নিৰ্ম্মাণৰ দায়িত্ব কোন বিভাগক দিয়া হৈছে ?

(ঘ) সীমান্ত ৰাস্তা নিৰ্ম্মাণৰ দায়িত্বত থকা বিভাগটোৰ সদৰ কাৰ্য্যালয় কোন ঠাইত স্থাপন কৰা হৈছে ?

(ঙ) উক্ত বিভাগটোৰ মহকুমা সদৰ কাৰ্য্যালয় স্থাপনৰ বাবে স্থান নিৰ্ব্বাচন হৈছে নে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী )য়ে উত্তৰ দিছে :

৫২। (ক) হয়।

(খ) ২০-৫-৮৬ তাৰিখে কুকুৰমৰাৰ পৰা ২৩-৫-৮৬ তাৰিখে ৰামৰায় কুটীৰ পৰা জৰীপ আৰম্ভ হৈছিল। সুৰক্ষা বাহিনী অপসাৰণ কৰাত ৩০-৫-৮৬ তাৰিখে কাম স্থগিত কৰা হয়। কিন্তু ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ পৰা পুনৰ অনুমতি পোৱাত এই কাম আকৌ আৰম্ভ কৰিবলৈ গড়কাপ্তানী বিভাগক নিৰ্দ্দেশ দিয়া হৈছে।

(গ) অসম গড়কাপ্তানী বিভাগক।

(ঘ) ধুবুৰী চহৰত।

(ঙ) মহকুমাৰ ( উপসংমণ্ডল ) সদৰ কাৰ্য্যালয় এটা ধুবুৰী চহৰত আৰু আনটো গোৱালপাৰা চহৰত স্থাপন কৰা হৈছিল। কিন্তু কামৰ সুবিধাৰ বাবে গোৱালপাৰাৰ পৰিৱৰ্ত্তে এই কাৰ্য্যালয়টো মানকাছাৰত স্থাপন কৰা হ'ল।

*Re* : **Appointment in Soil Conservation Department**

Shri Abdul Muqtadir Choudhury asked :

*53. Will the Minister, Soil Conservation be pleased to state—

(a) The number of appointments made in the Soil Conservation Department from January, 1986 till date ?

(b) The number of appointments canelled recently ?

Shri Bharat Chandra Narah (Minister, soil Conservation) replied :

53: (a) The total number of appointments made in the Soil Conservation Department from January, 1986 are 147:

(b) The total number of appointments cancelled are 147 numbers.

Re : **Fair price shops**

Shri Sheikh Abdul Hamid, asked :

*54: Will the Minister, Supply be pleased to state—

(a) The number of fair price shops functioning in the State ? ( Please state district wise figure ).

(b) The essential commodities being supplied by the Fair Price shops.

Shri Biraj Kumar Sarma (Minister, food & Civil Supplies) replied :

54. (a) No. of Fair price shops functioning in the State ( District wise ) :

1. Dhubri— 1233
2. Goalpara— 905
3. Barpeta— 1418
4. Nalbari— 970
5. Kamrup— 1787 ( including Pragjyotishpur )
6. Nagaon— 2662
7. Jorhat— 2408
8. Sibsagar— 1155
9. Dibrugarh— 1921

| | | |
|---|---|---|
| 10. | North Lakhimpur— | 1292 |
| 11. | Sonitpur— | 1155 |
| 12. | Darrang— | 1346 |
| 13. | Karbi Anglong-- | 513 |
| 14. | N. C. Hills— | 87 |
| 15. | Cachar— | 1970 |
| 16. | Karimganj— | 775 |
| 17. | Kokrajhar— | 973 |
| | | Total—22670 |

(b) At present the following essential commodities are distributed through the Fair Price Shops in the State.

1. Rice.
2. Wheat ( Under I. T. D. P. scheme )
3. Wheat Products.
4. Sugar.
5. S. K. Oil.
6. Imported edible oils.
7. Salt.

বিঃ গাওঁ পঞ্চায়তৰ নিৰ্বাচন

শ্ৰীমকবুল হুচেইনে সুধিছে :

*৫৫। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গাওঁ পঞ্চায়ত নিৰ্ব্বাচন কেতিয়া কোন সময়ত অনুষ্ঠিত হব জনাবনে?

(খ) গাওঁ পঞ্চায়ত নিৰ্ব্বাচন ১৯৮৩ চনৰ ভোটাৰ তালিকামতে হবনে নতুনকৈ শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰি পঞ্চায়ত নিৰ্ব্বাচন পাতিব?

শ্ৰীচন্দ্ৰ আৰাঙ্কৰা ( পঞ্চায়ত বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে :

৫৫। (ক) যিমান সোনকালে সম্ভৱ পতাৰ চেষ্টা কৰা হৈছে।

(খ) অসম পঞ্চায়ত ৰাজ বিল ১৯৮৬ আইনত পৰিণত হলে সেইমতে ব্যবস্থা লোৱা হব। উক্ত বিল অনুযায়ী ( ১৯৮৫ চনৰ ) অসম বিধান সভাৰ ভোটাৰ তালিকা মতে গাওঁ পঞ্চায়তৰ নিৰ্ব্বাচন হব।

*Re* : **Land to river eroded people**

Shri Maziruddin Ahmed, asked :

* 56. Will the Minister, Revenue be pleased to state—

The steps taken to provide land to the landless and river eroded persons who have been evicted so far ?

Shri Thaneswar Boro ( Minister, Revenue ) replied :

56. The Deputy Commissioners and Sub-Divisional Officers have been instructed to allot home-sted land to deserving eroded people.

*Re* : **Branch of Government Press**

Shri Amritlal Basumatari, asked :

* 57. Will the Minister, Printing and Stationery be pleased to state—

(a) Whether it is a fact that Government have proposals to open some branches of the Government Press ?

(b) If so, whether Government propose to open a Branch of Government Press at Kokrajhar ?

শ্ৰীভৃগু কুমাৰ ফুকন (মুদ্ৰণ আৰু লেখন সামগ্ৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) তেনে কোনো প্ৰস্তাব নাই।

*Re :* **Irrigation Schemes in Gossaigaon**

*58. Will the Minister, Irrigation be pleased to state—

(a) Number of Irrigation schemes working now in Gossaigaon Constituency :

(i) Major Irrigation Schemes

(ii) Medium Irrigation Schemes

(iii) Minor Irrigation Schemes

(iv) Lift Irrigation Schemes ?

(b) Whether any new Irrigation projects have been taken up or proposed in the current year in Gossaigaon Constituency ?

(c) If so, please state the location ?

Shri Pabin Chandra Deka ( Minister, Irrigation ) replied :

59. (a)

(i) Nil

(ii) Nil

(iii) 2 Nos.

(iv) Nil.

(b) Two Minor Irrigation schemes are proposed for the current year ( 1986-87 ).

(i) Maktaigaon E. L. I. S.

(ii) Dingdinga D. T. W. schemes.

(c) (i) Maktaigaon E. L. I. S. located on the left bank of river Bhoasora and about 4 K. M. west of Sapkata and about 6 K. M. east of Jaraguri under Gossaigaon Development Block.

(ii) Dingdinga D. T. W. scheme is located in village Haripur under Gossaigaon Development Block.

### *Re :* **Pay Commission**

Shri Hamen Das asked :

* 59. Will the Chief Minister be pleased to state—

(a) Whether the Government is aware about the publication of 4th Pay Commission Report of the Central Government of India ( for Central Government Employees ) ?

(b) If the answer to the (a) above is in affirmative, whether the Government of Assam propose to set-up similar Pay Commission/Committee for revision of Pay scales of Assam State Government Employees ?

(c) If so, when ?

Shri Prafulla Kumar Mahanta ( Chief Minister ) replied ;

59. (a) Yes.

(b) There is no such proposal at present.

(c) Does not arise.

### *Re :* **Industrially Backward State**

Shri Ramendra De asked :

* 60. Will the minister, Industries be pleased to state.

(a) Whether the Assam Government has requested to the Central Government of India to declare Assam as an Industrially backward State?

(b) If so, with what result?

**Shri Digen Chandra Borah** (Minister of Industries) replied.

60. (a) & (b) The Government of India has already declared the entire State of Assam as "A" category backward areas with effect from 1st April 1983 with North Cachar Hills and North Lakhimpur Districts as "Non-Industry Districts".

## SHORT NOTICE QUESTION AND ANSWERS

### বিঃ দেৱগাওঁ শাখা কোষাগাৰৰ মাটি

শ্ৰীভবেন চন্দ্ৰ ভৰালীয়ে সুধিছে :

১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) দেৰগাওঁ Sub-Treasury কাৰ্য্যালয়ৰ বাবে আবণ্টন কৰা মাটিখিনি Sub-Treasury কৰ্তৃপক্ষক দখলী স্বত্ব দিয়া হৈছেনে?

(খ) যদি দখলী স্বত্ব দিয়া নাই কিয় দিবপৰা নাই জনাবনে?

(গ) দখলী স্বত্ব কেতিয়া দিব জনাবনে?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

১। (ক) দেৰগাওঁ কোষাগাৰ হিচাবে পুনৰ জৰীপৰ সময়ত ১৯৬২ চনৰ পৰা মাটি সংৰক্ষিত হৈ আছে।

(খ)
(গ) } 'ক' প্ৰশ্নৰ উত্তৰৰ পৰিপেক্ষিতত এই প্ৰশ্ন নুঠে।

## UNSTARRED
## QUESTIONS AND ANSWERS

*Re* : **Schemes for Char Development.**

Shri Maziruddin Ahmed asked :

1. Will the Chief Minister be pleased to state :

(a) The various schemes the Govt. has under-taken under the Char Dev. Scheme ?

(b) Amount spent under each Head.

Shri Prafulla Kumar Mahanta ( Chief Minister ) replied :

1. (a) The following are the schemes taken by the Assam State Char Areas Dev. Authority since 1983-84 to till date.

(1) 1983-84 Establishment of ASCADA Head quarter at Guwahati; purchase of office vehicles and furniture etc.

(2) 1984-85 Power Tiller operation in the Char Areas and strengthening of HQ establishment at Guwahati.

(3) 1985-86.

(i) Scheme of Hq. establishment at Guwahati.

(ii) Purchase of vehicles and engine boats for char Dev. service centres.

(iii) Purchase and operation of Multiple Treashers.

(iv) Operation of Power tillers.

(v) Provision of drinking water facilities in char areas.

(vi) Minor irrigation through 5 HP diesel pump sets ( Jharna )

(vii) Minikit Demonstration of seeds and fertilizers:

(viii) Contribution to dairy development schemes in Bhogdohor Char Dairy Farm.

(ix) Photophoniac system machine etc.

(x) One Mini truck for Dairy Dev.

(xi) Chilling plant and cream seperators.

(xii) Managerial assistance to Pachim Dhubri Milk producers Co-op. Society Ltd.

(xiii) One engine boat for dairy dev. in Bhogdohor Dairy farm.

(xiv) Cream seperator machine for dairy development.

(xv) Livestock and poultry facilities in Char Areas:

(xvi) Dairy facilities to Pachim Dhubri Milk producers Co-op. Society Ltd:

(4) 1986-87 :

1. Headquarter establishment.
2. One jeep and one engine boat for one C. D. S. Centre.
3. Dairy development schemes.
4. Drinking water facilities scheme.
5. Cottage Industries schemes.
6. Education ( Scholarship )
7. Socio-economic Survey scheme.
8. Irrigation by shallow tubewells schemes.

(b) (1) Rs. 2, 70, 000·00

(2) Rs. 25, 98, 500·00

(3) Rs. — —

(i) Rs: 9, 30, 194·00

(ii) Rs. 15, 44, 306·00

(iii) Rs. 10, 22, 000·00

(iv) Rs. 3, 32, 777·00

(v) Rs. 13, 71, 348·00
(vi) Rs. 3, 99, 375·00
(vii) Rs: 2, 00, 000·00
(viii) Rs. 37, 375·00
(ix) Rs: 24, 180·00
(x) Rs: 2, 00, 000·00
(xi) Rs. 74, 340·00
(xii) Rs: 30, 480·00
(xiii) Rs. 2, 82, 000·00
(xiv) Rs. 30, 489·00
(xv) Rs. 1, 46, 000·00
(xvi) Rs: 30, 480·00

*Re* : **Election Expenditure.**

Shri G. C. Langthasa asked :

2: Will the Minister, Hill Areas Development be pleased to state.

(a) Whether the N. C. Hills District Council has deposited the amount of the election expenditure to the Govt ?

(b) If so, when and which date ?

Shri Samsingh Hanse (Minister, Hill Areas) replied :

2. (a) Yes,

(b) On 23rd January, 1986.

## PRIVILEGE MOTION

মাননীয় অধ্যক্ষ : মাননীয় সদস্য শান্তিৰঞ্জন দাসগুপ্ত ১৭৭ নং বিধি অনুসৰি এখন জাননী পাইছো যে মাননীয় বিধায়ক অৰ্দ্ধেন্দু দে ডাঙৰীয়াক যোৱা ২১ মে তাৰিখে গ্ৰেপ্তাৰ কৰা হৈছে। এই সম্পৰ্কে গৃহমন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি গোচৰ কৰা হৈছে। আৰু এটা বিশেষাধিকাৰ ভঙ্গ প্ৰস্তাৱ উত্থাপিত হৈছে। মাননীয় সদস্য গোলোক ৰাজবংশী ডাঙৰীয়াই মাননীয় আইন মন্ত্ৰীয়ে বাতৰি কাকতত "Is the Assam Tenancy Act, 1971, a Social Legislation?" এটা কলোম লিখিছিল তাৰ ওপৰত বিশেষাধিকাৰ প্ৰস্তাৱ উত্থাপন কৰিছে। এই বিষয়ে মাননীয় সদস্য ৰাজবংশী ডাঙৰীয়াক কবলৈ অনুৰোধ কৰিছো।

শ্ৰীগোলোক ৰাজবংশী— মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সংবিধানে আইন প্ৰনয়ণ কৰিবৰ কাৰণে আৰু তাক ভালদৰে কাৰ্য্যকৰী কৰিছে নে নাই সেইটো চাবৰ কাৰণে তিনিটা বিভাগ আছে— সেইটো একজিকিউটিভ, জুদিচিয়েল আৰু লেজিচলেটিভ। পাৰ্লিয়ামেণ্টত কেন্দ্ৰীয় চৰকাৰে বিষয়বস্তু তেখেতসকলৰ সংবিধান মতে প্ৰনয়ণ কৰিব আৰু ৰাজ্য চৰকাৰৰ ক্ষেত্ৰত আইন প্ৰনয়ণ হব বিধান সভাত। আইন এখন গ্ৰহণ কৰাৰ পাচত কাৰ্য্য পালিকাৰ কৰ্ত্তব্য হব যি ধৰণে আইনখন গ্ৰহণ কৰা হৈছে সেইমতে কাম কৰা। কাৰ্য্যপালিকাই প্ৰশ্ন তুলিব নোৱাৰে যে আইনখন বেয়া হৈছে আৰু ইয়াক কাৰ্য্যকৰী কৰিব নোৱাৰি। অসমৰ আইন মন্ত্ৰীয়ে তেখেতে সিদিনা মন্ত্ৰী হিচাপে শপত লয়, ( interruptions )

Sir, If they go on like this I am not going to proceed. Sir, if you do not control and give security to us then I will not speak.

সেই শপতত কি আছে ? সংবিধানে যিখিনি ক্ষমতা দিছে তাক ন্যায় ভাবে পালন কৰিব আৰু সেইমতে আমাৰ যিখন আইন বিধান সভাত গৃহিত হৈছিল সেই আইনখন কাৰ্য্যকৰী কৰিবৰ কাৰণে চেষ্টা কৰিব লাগিছিল। কিন্তু এই আইনখন বেয়া হৈছে বা ভাল হৈছে সেইটো প্ৰশ্ন তুলিব নোৱাৰে যিহেতু আইনখন বিধান সভাত গ্ৰহণ কৰা হৈছিল। তেখেতে যিটো আৰ্টিকুল লিখিছে "is the Assam Tenancy Act, 1971, a Social Legislation" এই কেপশ্যনটো অসম ট্ৰিবিউনত প্ৰকাশ কৰিছিল।

মাননীয় অধ্যক্ষ : মাননীয় সদস্যসকলে মন দি শুনক।

Shri Golok Rajbanshi— There are certain rules as to how we should proceed in this House.

শ্ৰীজয়নাথ শৰ্মা— এজন সদস্যই কথা কৈ থাকোতে কোনে কেনেকৈ সমৰ্থন কৰে সেইটো তেওঁৰ কথা কিন্তু বক্তৃতা দি থকা সদস্যজনে সেইফালে কিয় মন দিব লাগে? আমি কেনেকৈ সমৰ্থন কৰো সেইটো আমাৰ নিজা কথা।

শ্ৰীগোলক ৰাজবংশী— তেখেতে আৰ্টিকোলটো লিখিছিল আৰু তাত আইন মন্ত্ৰী হিচাবে নাম দিছিল। মই আৰ্টিকোলটোৰ কেইটামান দফা পঢ়ি দিও।

মন্ত্ৰীয়ে আইনখন প্ৰটেকশ্যন দিয়াৰ কথা কিন্তু তেওঁ ইয়াৰ দ্বাৰা আইনখনৰ ক্ষেত্ৰত বেলেগ মনোভাব প্ৰকাশ কৰিছে।

"There is a note of protest among the general public of the Brahmaputra Valley against the Assam ( Temporary Settled Areas ) Tenancy Act, 1971... ..There are valid grounds and the reasons for such protest" ...... "That apart there are some striking povisions incorporated in the present Act, for acquisition of ownership of the land possessed by a riyat/ occupancy tenant for a continuous period of three years on payment of 50 times the full rate of annual land revenue payable for such land. Such provisions ex-facie appears to be confiscatory in nature." This is his comment.

Thirdly, "this is fantastic and highly illegal." This is his comment.

Fourthly, "thus the State Legislature by one hand has allowed a person to possess 54 bighas of land as full owner under the Ceiling Act and by the other hand it is taking away such right of ownership and possession by introducing the Tenancy Act of 1971. The provisions of the one

Act are in direct conflict with the other."........"It is extremely necessary to reconcile and for that purpose the provisions of the Tenancy Act, more particularly these under chapter VI thereof, have to be amended and / or deleted."........ "Under such circumstances, the only remedy available to the hundres and thousands of proprietors and landholders is to approach the legislature......" Sir, this is an instigation to the public to take steps to amend the Act. মাননীয় অধ্যক্ষ মহোদয়, এজন মন্ত্ৰীয়ে সদনত আগতে পাচ কৰা এখন আইন দিফেণ্ড কৰা উচিত বা প্ৰটেকশ্যন দিয়া উচিত। to protect and to defend the Law. But here in this matter the Law Minister has failed to discharge his duties as Law Minister and keep the trust imposed upon him at the time of taking oath as Minister. It is a clear violation of the Rules of Procedure of the House and the provisions of Constitution. So I move the motion that the Law Minister, Shri Surendra Nath Medhi by publishing an article on 24th July, 1986 in the daily newspaper "The Assam Tribune", with the captions 'Is the Assam Tenancy Act, 1971, a Social Legislation', has degraded the position of the House through certain comments and observations he has made in the said article, has betrayed the trust as custodian and defender of the said law, has misused his position in dicharging his duties as Minister and thereby has committed a breach of privilege as a member of the said House.

So, I pray Sir, this matter should be sent to the Privilege committee or issue other direction as laid down in the Rules.

শ্ৰীহেমেন দাস— মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো অতি গুৰুত্বপূৰ্ণ বিষয়। ইয়াক গুৰুত্বসহকাৰে লব লাগে। যিবিলাক আইন আপোনালোকে পচন্দ কৰা নাই, সেইবিলাক সংশোধন কৰাৰ আপোনালোকৰ অধিকাৰ আছে। কিন্তু তাকে নকৰি আপোনালোকে কিছুমান কাম কৰিছে, যিবিলাকৰ দ্বাৰা নেকি জনসাধাৰণক উচতাই দিয়া হৈছে। আপোনালোকে সং কাম কৰিম বুলি শপথ খাইছিল। কিন্তু তাৰ পৰিবৰ্ত্তে আপোনালোকে যিবিলাক কাম কৰিছে সেইবিলাক কেতিয়াও গুৰুত্বপূৰ্ণ হব নোৱাৰে। গতিকে এনেকুৱা অহৈতুক কাম কৰাৰ পাচতো মন্ত্ৰীসভা কেনেকৈ ৰাখিছে ?

শ্ৰীজয়নাথ শৰ্ম্মা— এই টো বেলেগ কথা। এইবিলাকৰ ক্লিয়াৰিফিকেশ্বন লব লাগে।

মাননীয় অধ্যক্ষ :-- এতিয়া মই মাননীয় আইন মন্ত্ৰীক কবলৈ অনুৰোধ কৰিছো।

Shri Surendra Nath Medhi, Minister, Law— Hon'ble Speaker Sir, it is a fact that in Assam Tribune I wrote an article under the caption as stated earlier. I wrote the article with the intention to acquint the public about the provisions of the Act. With that intention only I wrote the article, and nothing of the sort as alleged. In this connection, I beg to submit before the House that by reading certain paragraphs of the article one cannot come to the conclusion as regards the main objective of the article. Hon'ble Member read only 2 or 3 paragraphs of the article and cannot alleged that it is a wrong thing. One is to read the article as a whole to come to a decison. The last paragraph in which the object was actually aimed at is "In view of the rigorous provisions incorporated in Chapter VI of the Act, the public in general will consider as to whether the Act is a social legislation promoting the agrarian reform. Let the public in general go deep into the matter and express their opinion

over the issue." So, Sir, I have requested the public to express the r view because their opinion, to express their view because it is a democratic country. The democratic process must run in the State. So, whatever I have written is for the welfare of the public. So, nothing has been done for committing breach of privilege as has been complained by the Hon'ble member.

In this connection, I beg to refer to certain passages from the practice and procedure of parliament by Kaul and Shakdher in connection with breach of privilege.

"The term 'breach of privilege' means a disregard of any of the rights, privileges and immunities either of members of Parliament individually or of the House in its collective capacity. After due enquiry, a breach of privilege is punished in the same way as courts of Law punish for contempt of their dignity or authority.

In practice, the term 'breach of privilege' is also applied to contempts generally. It is, however, properly applicable only to that type of contempt which consists in the violation of disregard of the privileges of the House or the individual Members thereof.

Contempt of the House may be defined generally as "any act or omission which obstructs or impedes either House of Parliament in the performance of its functions, or which obstructs or impedes any Member or officers of such House in the discharge of his duty, or which has a tendency, directly or indirectly, to produce such results even though there is no Precedent of the offence. Hence, if any act,

though not tending directly to obstruct or impede the House in the performance of its functions, has a tendency to produce this result indirectly by bringing the House into odium, contempt or ridicule or by lowering its authority, it constitutes a contempt."

Shri Golak Rajbanshi : This is in my favour.

Surendra Nath Medhi, Law, Minister : Then at page 223 "Speeches or Writing Reflecting on the House, its Committees or Members."

"It is a breach of privilege and contempt of the House to make speeches, or to print or publish any libels reflecting on the character or proceedings of the House or ist Committees, or on any member of the House for or relating to his character or conduct as a member of Parliament.

Approaching an outsider against any decision of the House is tantamount to a reflection on the decision of the House and consequently a contempt of the House ; If a member is not satisfied with a decision of the House, the proper course for him is to move the House itself to rescind its decision.

Speeches and writings reflecting on the House or its Committees or members are punished by the House as a contempt on the principle that such acts "tend to obstruct the Houses in the performance of their functions by diminishing the respect due to them."

শ্রীজয়নাথ শৰ্ম্মা— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে বক্তৃতা দি থাকোতে আনক বহিবলৈ কৈছে আৰু তেখেতে এতিয়া বহি বহি মাজে মাজে দুই এটা কথা কৈ আছে। এজন বয়োবৃদ্ধ সদস্য হৈ এনেকৈ থকাটো বৰ লজ্জা-জনক কথা। আমি এই কথাটোত তেখেতক গৰিহনা দিছো।

Shri Surendra Nath Medhi ( Minister, Law )— Then at page 224.

"In order to constitute a breach of privilege, however, libel upon a member of Parliament must concern his character or conduct in his capacity as a member of the House and must "be based on matters arising in the actual transaction of the business of the House" Reflections upon members otherwise than in their capacity as members do not, therefore, involve any breach of privilege or contempt of the House. Similarly, speeches or writings containing vague charges against members or criticising their Parliamentary conduct in a strong language particularly in the heat of a public controversy, without, however, imputing any malafides are not treated by the House as a contempt or breach of privilege."

Then some examples have been given—

"Examples of Speeches and writings which have been held to constitute breach of privilege and contempt of the House may be categorised as under.

1) Reflections on the House
2) Reflections on the character and impartiality of the Speaker in the discharge of his duty.
3) Reflections on members in the execution of their duties.
4) Reflections on members serving on a committee of the House.
5) Reflections on the conduct of the Chairman of a Committee of the House.

These are the examples: My humble submission is that there is no breach of privilege. Some Hon'ble Members are putting forward some arguments only to make some political gain and nothing more. Lastly, I beg to submit that regarding 'oath' I am very much aware of the oath. I have taken oath. Oath has been quoted in Schedule III of the Constitution of India as "I......do solemnly affirm that I will bear true faith and allegiance to the Constitution of India, as by law established, that I will uphold the sovereignty and integrity of India, that I will faithfully and conscientiously discharge my duties as a Minister for the State of........ and that I will do right to all manner of people in accordance with the Constitution and the law without fear or favour, affection or ill will."

So, Mr. Speaker, Sir, I have not violated any terms of the oath. The Article was written by me impartially and there was no intention to disregard this House and I have not committed. any breach of privilege. I will humbly submit that the motion does not deserve admission and, therefore, this may kindly be rejected.

শ্ৰীখৰ সিং ইংতি :— অধ্যক্ষ মহোদয়, যিটো প্ৰিভিলেজ মোচন আনিছে সেইটো হল— The Law minister has committed a breach of privilege by publishing an article in the Assam Tribune about the Assam Tenancy Act. 1971: যদি সেইটো intentional distortion হয় তেন্তে ব্ৰিছ অৱ প্ৰিভিলইজ হব। অসম ট্ৰিবিউনত আইন মন্ত্ৰী ডাঙৰীয়াই যিটো প্ৰবন্ধ লিখিছে সেইটো about the interpretation of the provisions of the Act: এই বিষয়ে কি ধাৰণা, সমাজত কি ঘটিছে আৰু কি ঘটিব তাক কেনেকৈ পৰিবৰ্ত্তন কৰিব পৰা হয় এইটো প্ৰকাশ কৰাৰ এটা মাধ্যম it is a way of expressing his feelings.

এতিয়া এই ক্ষেত্রত আমাৰ এই সদনৰ সদস্যসকলে এই সমাজৰ যি কোনো বিষয়ে মন্তব্য প্ৰকাশ কৰাৰ অধিকাৰ আছে নে নাই? আমি দেখিবলৈ পাইছো যে ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিছত প্ৰধান মন্ত্ৰী, মুখ্যমন্ত্ৰী বা আন আন মাননীয় সংসদী সদস্যৰ কাৰ্য্যকলাপ যদি আমি চাওঁ তেন্তে আমি দেখা পাওঁ যে প্ৰধান মন্ত্ৰীয়ে দেশত চলি থকা এটা আইন ব্যৱস্থাৰ পৰিবৰ্ত্তন কৰিবলৈ বিচাৰে, যি কোনো এটা ফৰ্মত তেওঁ এক্সপ্ৰেছ কৰে। প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়ে also expressed his opinion through different media কেবাজনো মন্ত্ৰী, one of the outspoken member of the Council of Minister, Vasanth Sathe also expressed himself সুবিধা এনে ধৰণ আনিব লাগে। এজন মন্ত্ৰী হৈ তেওঁৰ ক্ষমতা আছে আনিব পাৰে, তাত বিতৰ্ক চলিব নোৱাৰাৰ মানে নাই। অৰ্থাৎ এজন মন্ত্ৰী হলে, সদস্য হলে প্ৰিভিলেইজ সদনলৈ অনাৰ আগতে ৰাজহুৱা ভাবে প্ৰকাশ কৰাৰ অধিকাৰ আছে। কিন্তু যিটো opinion express কৰা হৈছে সেই ধাৰণাটো বিতৰ্কমূলক হব পাৰে। আনকি শাসক দলৰ হলেও বিতৰ্ক হব পাৰে। গতিকে ইয়াত আইন মন্ত্ৰী মেধি ডাঙৰীয়াই অসম ট্ৰিবিউনত article লিখিছে it does not mean it is a breach of privilege. Mr. Speaker, Sir, this Motion cannot and should not be admitted.

Shri Binai Khungur Basumatari:— Mr. Speaker Sir, we have heard the Hon'ble learned Law Minister. I am not a lawyer but by quoting some portions from the Kaul and Shakdher, it appears to me, he has condemned himself into oblivion because Sir, the portion that he has quoted relates to what forms privilege and what does not. Some members from the rulling party also had expressed that everybody has got the right to express our opinions is guaranted by the fundamental rights as citizen of India. I also agree with them but the problem is we have become members of this House, we have come as members of this House with certain promises before our people as to what

we will do and one of the main promises of the AGP was that they will restore law and order, they will honour the judiciary, they will honour the Constitution and they will form a Government which is one of the best that is possible. Now the question arises after making the commitment and after becoming the members of this House, can we say that we are unhappy as members of this House? Sir, the Law Minister has taken the oath not only as member of this House but also as guardian of law and protector of law and also he is to enforce the law. But Sir, now he has floated an opinion through the news paper which means that we have thrown our responsibilities directly or indirectly to the people and that we are incapable of doing what we were entrusted to do. Is it the stand of the House? Sir, Law Minister has not only taken oath as member of this House, he has also taken oath as guardian of law. Without expressing his opinion here i. e. before the House he has gone to the public directly. That means he does not have confidence on this House.

Sir, it is a very sad state of affairs, But I do not want to say that what he has written constitutes a breach of privilege at this stage without going through the entire gamut of the works. It is not possible to say at this stage whether the whole theme of this article is against the tenancy Act or whether he has just passed some remarks? And then whether he is aware of his responsibilities all these are to be found out. I, therefore, without coming into a conclusion today at this stage, feel that this matter should be placed before the Privilege Committee. Of course, Sir, you will give your learned opinion about it. You may

agree or disagree-that is a different matter but I feel that if it is placed before the Committee, then we can decide this issue through proper channel as per law established by this House. So, I feel that this should be put forward before the Committee. This is my submitssion, sir, with these words, I conclude my speech.

শ্ৰীজয়নাথ শৰ্মা :—মাননীয় অধ্যক্ষ মহোদয়, আজিৰ সদনত যিটো প্ৰস্তাৱ উত্থাপন কৰা হৈছে মই ভাবো যে, এই প্ৰস্তাৱটো ব্ৰিচ অব প্ৰিভিলেজলৈ অহাৰ প্ৰয়োজন নাই। 'ৰাইত অব এক্সপ্ৰেচন সকলোৰে আছে! দ্বিতীয়তে প্ৰবন্ধটোৰ প্ৰথম লাইন আৰু শেষৰ লাইনটো লৈ। ৰাইজে কৰা প্ৰতিবাদ সম্পৰ্কে তেওঁ ৰাইজৰ মতামত প্ৰকাশ কৰিছে। আৰু সকলো ৰাইজে এই এক্ট সম্পৰ্কে কিবা কবলৈ থাকিলে কবলৈ কৈছে। আনহাতে এখন আইনত আসোৱাহ থাকিলে লুকাই ৰখাটো দোষৰ কথা। স্বয়ং প্ৰধান মন্ত্ৰীয়েও এখন আইনৰ বিৰোধিতা কৰিছিল। অসমৰ বিদেশী নাগৰিকৰ ন্যায়াধিকৰণ গঠনৰ কাৰণে আন্দোলনে কেন্দ্ৰীয় চৰকাৰক কাবু কৰিছিল। আইন সংশোধন কৰিব লাগে। স্বয়ং প্ৰধানমন্ত্ৰীয়েও দোষৰ কথা বাভহুৱাভাবে স্বীকাৰ কৰিছিল। আৰু চুক্তি কৰিছিল। এখন আইনৰ মেৰিট আৰু ডি-মেৰিট থাকিব পাৰে। হেম বৰুৱা দেৱেও পাৰ্লিয়ামেণ্টত জৱাহৰলালৰ বিপৰীতে কৈছিল। জৱাহৰলালে কৈছিল দুৰ্নীতি পৰায়ন লোকক পালে মই ৰাজপথৰ লাইট পোষ্টত হেং কৰি শাস্তি দিম। তাৰ ওপৰত হেমবৰুৱাই ব্ৰিচ অব প্ৰিভিলেজ আনিছিল। হেম বৰুৱাই যুক্তি দিছিল যে, ক্ষমতা থকাৰ পিছত আইন থকাৰ পিছত সকলো কৰিব পাৰে। মনৰ কথা ৰাষ্ট্ৰপতিয়েই হওক বা প্ৰধান মন্ত্ৰীয়েই হওক ভাৰতীয় সংবিধানমতে কব পাৰে। ভাৰতৰ ১৯৩৫ চনৰ এক্ট মতে জৱাহৰলালে সমালোচনা কৰিছিল আৰু তেতিয়া তেওঁ ইন্টাৰিম চৰকাৰৰ মন্ত্ৰী আছিল। ১৯৭১ চনত আৰু ১৮৮৬ চনৰ এখন আইনত অসমৰ মানুহ যিবিলাক অসুবিধা পাইছিল, সেইবিলাক প্ৰবন্ধত আছে আৰু ২ টকা খাজনা দি ৰায়ত হৈ থকা কথাও আছে। আজি ১০০ টকাত এক বিঘা মাটি নাপায়। গতিকে ৰাইজক বাস্তৱ ক্ষেত্ৰত আইনে ফাঁকি দি আছে। গতিকে এই আইনৰ ভিতৰত থকা বহুতেও বে-আইনী কাম কৰি আছে।

অধ্যক্ষ মহোদয়, মই অনুৰোধ কৰিছো এই প্ৰস্তাৱটোৰ এদমিচিবিলিটি নাই গতিকে নাকচ কৰি সদনৰ আন কাৰ্য্যসূচী হাতত লব লাগে।

Shri Altaf Hossain Mazumder— Mr. Speaker, Sir, I have heard the learned Hon'ble Minister of Law and other learned Hon'ble Members of the House with rapt attention about this matter of breach of privilege. At this stage it is not possible to arrive at a conclusion and to say that it is a matter of breach of privilege without going into the pros and cons of whole gamut of the matter. But, Sir, I would like to submit that the materials that are available have amply justified a prima-facie case of breach of privilege. The Hon'ble Minister has referred to the Constitution of India. Sir, this Assembly is the creature of the Constitution and the Hon'ble Minister has also taken oath in accordance with the provision of the Constitution. The Hon'ble Minister has also quoted Kaul and Shakdher in course of this speech. He has very rightly quoted it.

This House has passed this Act. And the Hon'ble Law Minister is a member of this House and is the custodian of Law. He has taken the oath by the Constituten. The Constitutional obligations has come up before him. Now, Hon'ble member Shri Rajbonshi has made not a definite case. He has given specific and categorical opinion that the Law Minister has coenmilled contempt of the House. This Act was passed in the Legislature. This is a reflection on the Legislature on the part of the Law Minister. So Sir, it is a prima facie case of privilege to be referred to the Privilege Committee. Because, if the Minister passed a categorical statement on the Act passed by the Legislature, will his officers execute them. The Minister's reflection has hindered the execution and encouraged the officers not to carry it out. So, Sir,

it is a fit case, at this stage, to send it to the Privilege Committee. My humble sumission is that it is a prima facie ca e which should be thoroughly examined by the Committee.

Shri Silvius Condpan— Sir, I would like to make a very brief submission. I want to add only a point or two in this case. Sir, with your experience you will decide it according to law. I would like to bring it to your notice about this case. The Chief Minister of West Bengal, Shri P. C. Sen had just given a talk over the AIR criticising the West Bengal Government, While doing so he made a contempt of Court. There was a contempt of Court against the then West Bengal Chief Minister, which had been reported over the AIR Mr. Speaker Sir, we also now stand on the same footing. For this, Shri Sen was punished and convicted. Now, the hon'ble Minister of Law has committed the same offence. We have read it in the newspaper. It is also a contempt of court if the reporting is true. It is a very fit case to send it to the Privilege Committee and take action accordingly.

Shri Dewan Jainal Abedin— Mr. Speaker Sir, we are now in the midst of an interesting debate. Sir, laws are enacted to meet the requirements of society and we are living in a dynamic society which goes on changing every day. With the changes that are going on in the society everyday, we feel the need for changing our laws also. That is why we very often find that in a particular time, a society is enacting certain laws, and for lapses of certain

laws, certain society is clamouring for changing of the law. Now Sir, we legislators who are entrusted with the job of enacting laws, we are also social beings. With the change in society and demands for requirements of a changing society reflects in us also. The legislators should be immune to the demands of a changing society and for that it demands for changes of law. Here, there is a pertinent question. Whatever is legal at a certain point of time, it cannot be said that it is legitimate. In a concept whatever is legitimate at a certain point of time on a certain society may not remain so in a changed condition. With that point of view we cannot say that it cannot be always legitimate. Question of legitimacy gives way for a change in law. If a legialator feels that certain laws enacted sometime back is hindering in some matters and it brings protests from a society........we have seen in Parliament in the name of protection of Muslim women, a bill was passed and it brought on numerous protests throughout the whole country. It has been said that Act has been passed for the betterment of a section of the people of the country. This bill has been opposed when it has been seen that this Act of protection of Muslim women goes against the interest of the society of Muslim women. So Sir, I donot find that it is a point for breach of Privilege. So if a member feels that certain provisions in the Tenancy Act is not in proper spirit and needs the requirements of the changed time, it should be changed. He is at liberty to change it. So, I personally feel like this.

The question becomes a complicated one, because, for its expression as to what should be its forum which has

called for in this debate. But the point is the Minister has become a member of the Ruling party because of his being a Minister. So the Minister has placed these before the people for a test and to draw their attention. So, Sir, in my opinion, I feel there is very point to place it before the people taking it as a forum. It is a method of technique only.

I would like to submit before the august House that the matter should be sent to the Privilege Committee for its verdict.

শ্ৰীজয়নাথ শৰ্মা :—অধ্যক্ষ মহোদয়, মই যিটো স্পষ্টীকৰণ বিচাৰিছিলো তাৰ কোনো উত্তৰ এতিয়ালৈকে পোৱা নাই ।

মাননীয় অধ্যক্ষ :— আপুনি বহক । এই বিষয়টোৰ ওপৰত মাননীয় সদস্য সকল আৰু আইন মন্ত্ৰীয়ে গোটেই কথাটো সুক্ষ্ম ভাবে পৰ্য্যালোচনা আৰু পৰীক্ষা কৰি চাব লাগিব। তাৰ পাচত মই এটা সমাধান দিম।

## REPORT OF THE BUSINESS ADVISORY COMMITTEE

মাননীয় অধ্যক্ষ :— অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ২৩০ নং নিয়মৰ অধীনত মই ১৯৮৬ চনৰ ৫ আগষ্ট তাৰিখে অনাস্থা প্ৰস্তাবৰ ওপৰত আলোচনাৰ বাবে সময় ঠিক কৰি দিবলৈ কাৰ্য্য উপদেষ্টা সমিতিৰ বৈঠক এখন মোৰ কাৰ্য্যালয় কক্ষত আহ্বান কৰিছিলো। সমিতিয়ে আলোচনাৰ অন্তত সিদ্ধান্ত গ্ৰহণ কৰে যে অনাস্থা প্ৰস্তাবৰ ওপৰত আলোচনা মুঠতে ৭ ঘণ্টা সময়ৰ বাবে চলিব। আৰু সেই মৰ্মে ১৯৮৬ চনৰ ৭ আৰু ৮ আগষ্ট তাৰিখ উক্ত প্ৰস্তাবৰ ওপৰত আলোচনাৰ বাবে থিৰাং কৰা হল। যিহেতু ১৯৮৬ চনৰ ৮ আগষ্ট শুক্ৰবাৰ আৰু অনাস্থা প্ৰস্তাবৰ ওপৰত আলোচনাৰ বাবে মাত্ৰ

ডেৰ ঘণ্টা সময়হে পোৱা হব। গতিকে সমিতিয়ে ১৯৮৬ চনৰ ৭ আগষ্ট তাৰিখে ৫ বজাত ২০ মিনিটৰ বাবে চাহ বিৰতিৰ সদনৰ বৈঠক ডেৰ ঘণ্টা বঢ়াই দিয়াৰ বাবে অনুমোদন কৰে। সভাত এইটো ঠিক কৰা হয় যে উক্ত ছুয়ো দিনত প্ৰশ্নসমূহ আৰু বিধেয়ক উত্থাপনৰ বাদে অন্য কাৰ্য্যসূচী লোৱা নহব। সমিতিয়ে সৰ্ব্বসন্মতিক্ৰমে সন্মত হয় যে— মুঠ ৭ ঘণ্টা সময় চৰকাৰ পক্ষ আৰু নিৰ্দ্দলীয় সদস্যকে ধৰি বিৰোধী পক্ষৰ মাজত সমানে ভগোৱা হব। আৰু বিধান সভাৰ সচিবক বাজেটৰ ওপৰত সাধাৰণ আলোচনা আৰু ৰাজ্যপালৰ ভাষণৰ ওপৰত বিতৰ্কৰ ক্ষেত্ৰত অনুসৰণ কৰা নিয়মেৰে সময় ভগাবলৈ কৰ্তৃত্ব দিয়ে। সেই মৰ্মে বিভিন্ন দলৰ বাবে নিৰ্দ্দিষ্ট সময় তলত দেখুৱা ধৰণৰ হব।

১। অসম গণ পৰিষদ— ৩ ঘণ্টা ৩০ মিনিট (মুখ্য মন্ত্ৰীৰ উত্তৰ সহিতে)

২। ভাৰতীয় কংগ্ৰেছ (আই) — ৭৫ মিনিট
(প্ৰস্তাবকৰ উত্তৰ দিয়াৰ অধিকাৰ সহিতে)

৩। সংযুক্ত সংখ্যালঘু মৰ্চ্চা— ৬০ মিনিট

৪। ভাৰতীয় জাতীয় কংগ্ৰেছ (এচ)— ২৫ মিনিট

৫। মাৰ্ক্সবাদী কমিউনিষ্ট— ১০ মিনিট

৬। নিৰ্দ্দলীয়— ২০ মিনিট

৭। ভৈয়াম জনজাতীয় পৰিষদ— ২০ মিনিট

সংশোধীত দিনপঞ্জীৰ প্ৰতিলিপি মাননীয় সদস্যসকলৰ মাজত ইতিমধ্যে বিতৰণ কৰা হৈছে।

মই ভাবো ইয়াত সদনৰ সন্মতি আছে।

## CALLING ATTENTION NOTICE

মাননীয় অধ্যক্ষ :— এতিয়া ৩ নং কাৰ্য্যসূচী।

শ্ৰীদিলীপ কুমাৰ শইকীয়াই কৰ।

শ্ৰীদিলীপ কুমাৰ শইকীয়া :— মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ

প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ১৯৮৬ চনৰ ১৭ জুলাই তাৰিখৰ "( আসাম ট্ৰিবুন )" কাকতত প্ৰকাশিত "High magnitude Earlhquake in Assam in Mid 1987 predicted." শীৰ্ষক বাতৰিটোৰ প্ৰতি খনি আৰু খনিজ বিভাগৰ মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিলো। মাননীয় অধ্যক্ষ মহোদয়, এইখিনিতে কথা এটা হ'ল যে এই বাতৰিটো ইতিমধ্যে ডঃ অৰুণ বাতাৰ চিনিয়ৰ ৰিছাৰ্চ অফিচত জনাইছে। এই বাতৰিটোত ধেমাজীক এইপি, চেন্টাৰ হিচাপে লোৱা হৈছে। এতিয়া কথা হ'ল বাতৰিটো কোৱাৰ পাচত বিশেষকৈ ধেমাজী অঞ্চলত মানুহে মাটিবাৰী বিক্ৰী কৰিবলৈ আৰম্ভ কৰিছে। বিশেষকৈ মাৰেৱাৰী সম্প্ৰদায়ৰ মানুহে। ৰাইজৰ মাজত এটা আতঙ্কৰ সৃষ্টি হৈছে। ১৯৫০ চনৰ ভূমিকম্পত ৰাইজৰ যি আতঙ্কৰ সৃষ্টি হৈছিল সেই কথা ৰাইজে এতিয়াও পাহৰিব পৰা নাই। সেই কথা ভাবিয়েই ৰাইজ বেছি আতঙ্কিত হৈ পৰিছে। বৰ্ত্তমান সেই অঞ্চলৰ ৰাইজে এনেকুৱা এটা পৰিস্থিতিৰ সৃষ্টি কৰিছে যে যাৰ ঘৰত হাহ, কুকুৰা আছিল সকলোবোৰ মাৰি খাবলৈ আৰম্ভ কৰিছে। গতিকে মই মন্ত্ৰী মহোদয়ৰ পৰা এই বিষয়ত এটা বিতং বিৱৰণী জানিব বিচাৰিছো যাতে ৰাইজৰ মনৰ আতঙ্ক দূৰ হয়। এইটো এটা হয়তো ৰাজনৈতিক চক্ৰান্তও হব পাৰে। কাৰণ তাত এনেকুৱা এটা অৱস্থাৰ সৃষ্টি হৈছে যিবিলাক ডেভলাপমেন্টেল কাম সেইবিলাক বন্ধ কৰি দিয়া হৈছে। বেংকৰ পৰা যিবিলাক লোন আদি দিয়ে সেইবিলাক বন্ধ কৰি দিয়া হৈছে। গতিকে এই বিষয়ত মই মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্টীকৰণ বিচাৰিছো।

Shri Lalit Chandra Rajkhowa (Minister, Mines and Minerals etc)—

Mr. Speaker Sir, I rise to reply to the calling Attention Notice tabled by the Hon'ble Member Shri Dilip Kumar Saikia.

Attention of the Government has been drawn to the news item under the caption "High Magnitude Earthquake in Assam in mid-1987 predicted" in the Assam Tribune dated 17th July 1986.

The prediction of Earthquake is still in the research stage. Almost all the advanced countries of the world particularly America, China, Japan and Russia are doing various research work to find out a way for successful prediction of earthquake so that necessary pracaution can be taken well ahead of the earthquake.

In India, at Roorkee University, intensive work is being carried out in the branch of Earthquake Engineering. They have also installed stations in this N. E. Region to record the sciesmic date for their study. However, this pioneer institution has not yet made any prediction of earthquake in this region.

According to an earlier prediction, an earthquake was to occur in Assam in 1982. But fortunately this did not happen.

It has been found from past experience that Assam and some parts of North Eastern India are prone to frequent earthquakes as these areas are adjacent to the syntexial bend of the Himalayas in the far north east.

I may add that Shri Arun Bhapat, Research Officer of the Central water and power Research Centre has already been requested to furnish more details of his study and observation predicting an earthquake in Assam in the middle of 1987.

In case an earthquake occurs in the middle of 1987 as predicted in the news-item, appropriate action to mitigate

the sufferings of the people concerned will have to be taken by the Govt. as is the ease in respect of other natural calamities such as floods, draughts etc.

মাননীয় অধ্যক্ষ :— ইয়াৰ দ্বাৰা মই সদনক জনাওঁ যে মাননীয় সদস্য শ্ৰীআব্দুল মুস্তাদিৰ চৌধুৰীয়ে চৌদি আৰবত হজ কৰিবলৈ যোৱাৰ কাৰণে ৪ আগষ্টৰ পৰা আৰম্ভ হোৱা বিধান সভাৰ অধিবেশনত অনুপস্থিতিৰ বাবে অনুমতি বিচাৰিছে মই আশাকৰো ইয়াত সদনৰ অনুমোদন আছে ।

এতিয়া সদন অহাকালি ৰাতিপুৱা ১০ বজালৈ স্থগিত ৰখা হল ।

## ADJOURNMENT

The House rose at 5 P. M. and stood adjourned till 10 A. M. on 7th August, 1986.

Dated Dispur:
The 6th August, 1986.

Dr. P. N. Hazarika
Secretary,
Assam Legislative Assembly.